Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SUNDAY, MARCH 30, 2025 ■ দেওবাৰ, ১৬ চ'ত, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৯২ Guwahati, Assam ।। মূল্যঃ এটকা

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

## স্তব্ধ সংগীত জগত! সকলোকে কন্দুৱাই গ'লগৈ অসমৰ 'হীৰা'



ই-সংবাদ, ২৯ মাৰ্চঃ প্ৰবীণ সংগীত কণ্ঠশিল্পী হীৰা দাসৰ ৬ পৃষ্ঠাত চাওক

## 'অহা ৩০ বছৰলৈ ভাৰতত বিজেপিৰে শাসন'

নতুন দিল্লী, ২৯ মাৰ্চঃ আগন্তুক ৩০ বছৰলৈ দিল্লীত শাসন কৰিব ৫ পৃষ্ঠাত

## ছাত্ৰ মুক্তিৰ নেতাক গ্ৰেপ্তাৰ

ই-সংবাদ, ২৯ মাৰ্চঃ ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ শিৱসাগৰ ৬ পৃষ্ঠাত চাওক

## ভুল মানি লৈ ক্ষমাপ্ৰাৰ্থনা ৰঞ্জিত দাসৰ

ই-সংবাদ, ২৯ মাৰ্চঃ ৰাজনৈতিক আক্ৰোশ পূৰণৰ স্বাৰ্থত বিজেপি ২ পৃষ্ঠাত

### ১০০০ জনৰ মৃত্যু! উদ্ধাৰকাৰী, চিকিৎসকৰ দল প্ৰেৰণ ভাৰতৰ

# ম্যানমাৰত ৰুষ্ট প্ৰকৃতিৰ তাণ্ডৱ

নেইপিড', ২৯ মাৰ্চঃ ম্যানমাৰত সংঘটিত হোৱা ভয়াৱহ ভূমিকম্পত মৃত্যু হোৱা লোকৰ সংখ্যা এহাজাৰ অতিক্ৰম কৰিলে। যোৱা শুকুৰবাৰে ৭.৭ প্ৰাবল্যৰ ভূমিকম্পত এতিয়ালৈকে দ্বিতীয় পৃষ্ঠাত



## অগপক ৰঙা চকু! কমলা কলিতাক 'ডুপ্লিকেট' আখ্যা দি মুখ্যমন্ত্ৰীৰ নিৰ্বাচনী প্ৰচাৰ



ই-সংবাদ, ২৯ মাৰ্চঃ ২০২৬ চনৰ নিৰ্বাচনলৈ এটা বছৰ বাকী থকা অৱস্থাত অগপ আৰু বিজেপিৰ মাজত আসন ভাগ-বাটোৱাৰাক লৈ সংঘাত অব্যাহত আছে। ৪ পৃষ্ঠাত চাওক

### 'মই প্ৰশ্ন কৰি যাম'- কান্দি কান্দি ক'লে সাংবাদিকে

## অৱশেষত মুকলি আকাশৰ তললৈ আহিল দিলোৱাৰ হুছেইন

ই-সংবাদ, ২৯ মাৰ্চঃ অৱশেষত চাৰি দিনৰ মূৰকত ৰজাঘৰীয়াৰ সকলো ষড়যন্ত্ৰ ওফৰাই মুকলি আকাশৰ তললৈ ওলাই আহিল সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰ। আজি ৬ বজাত গুৱাহাটী শেষাংশ ৫ পৃষ্ঠাত



## দুৰ্বলীৰ ওপৰত বৰমতা! বৃদ্ধক প্ৰহাৰ সংখ্যালঘু নেতাৰ

ই-সংবাদ, ২৯ মাৰ্চঃ ভণ্ড সংখ্যালঘু নেতাৰ কাণ্ডক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে ঢেকীয়াজুলিত। ভণ্ড সংখ্যালঘু নেতাই বাঁহৰ টুকুৰা চুৰি কৰাৰ অভিযোগত ষাঠিৰ উৰ্ধ্বৰ লোকক কাণত ধৰি আঁঠু কাঢ়িবলৈ বাধ্য কৰোৱাত তীব্ৰ শেষাংশ ২ পৃষ্ঠাত

### কেন্দ্ৰক সমালোচনা ৰাহুলৰ

## 'পুঁজিপতি বন্ধুক ঋণ দি মোদীয়ে ধ্বংস কৰিছে বেংকিং ব্যৱস্থা'

নতুন দিল্লী, ২৯ মাৰ্চঃ দেশৰ বেংকিং ব্যৱস্থাৰ সংকটৰ বাবে মোদী চৰকাৰৰ ভুল নীতিক জগৰীয়া কৰি সৰৱ হ'ল বিৰোধী নেতা ৰাহুল গান্ধী। শেষাংশ ৪ পৃষ্ঠাত

### মুখ্যমন্ত্ৰীৰ পুত্তলিকা দাহ

## সাংবাদিকৰ মুক্তিৰ দাবীৰে প্ৰতিবাদ প্ৰদেশ কংগ্ৰেছৰ

ই-সংবাদ, ২৯ মাৰ্চঃ আজি সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰৰ গ্ৰেপ্তাৰৰ বিৰুদ্ধে দুই বিৰোধী দল কংগ্ৰেছ আৰু ৰাইজৰ দলে প্ৰতিবাদ শেষাংশ ৪ পৃষ্ঠাত

## হিংসাই কেতিয়াও পৰিৱৰ্তন আনিব নোৱাৰেঃ শ্বাহ

চুকমা, ২৯ মাৰ্চঃ ছত্ৰীশগড়ৰ চুকমাত নিৰাপত্তাৰক্ষীৰ বৃহৎ সফলতা। শুকুৰবাৰে নিশা আৰম্ভ হোৱা এক বিশেষ অভিযানত ১১গৰাকী মহিলা



**ছত্ৰীশগড়ৰ চুকমাত ১৭ মাওবাদী নিহত, অস্ত্ৰ এৰাৰ আহ্বান গৃহমন্ত্ৰীৰ**

সেনাপতিসহ সোতৰজন মাওবাদীক নিৰ্মূল কৰা হৈছে। এক গোপন সূত্ৰৰ ভিত্তিত কাম কৰি জিলা ৰিজাৰ্ভ গাৰ্ড ৬ পৃষ্ঠাত চাওক

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বৰত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দুৰ্বলীৰ ওপৰত বৰমতা! বৃদ্ধক প্ৰহাৰ

চাঞ্চল্যৰ সৃষ্টি হৈছে ঢেকীয়াজুলিত। যাঠিৰ ঊৰ্ধ্বৰ লোকক কাণত ধৰি আঁঠু কাঢ়িবলৈ বাধ্য কৰোৱা ভণ্ড নেতাজন উত্তৰ-পূৰ্বাঞ্চল সংখ্যালঘু ছাত্ৰ সন্থা চমুকৈ নেমছুৰ সহকাৰী সাধাৰণ সম্পাদক ছামচুল হক। ছামচুল হকে যাঠিৰ ঊৰ্ধ্বৰ লোকক কাণত ধৰি আঁঠু কাঢ়িবলৈ বাধ্য কৰোৱাৰ এটা ভিডিঅ' ভাইৰেল হয়। তাৰ পিছতে লোকজনে দাখিল কৰা এজাহাৰৰ ভিত্তিত ছামচুল হকক গ্ৰেপ্তাৰ কৰা হয়। জানিব পৰা মতে, কিছুদিন পূৰ্বে ঢেকীয়াজুলিত অনুষ্ঠিত হৈছিল বিশেষ ধৰ্মীয় অনুষ্ঠান। অনুষ্ঠান অনুষ্ঠিত হৈ যোৱাৰ পিছতে উত্তৰ-পূৰ্বাঞ্চল সংখ্যালঘু ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক ছামচুল হকে বাঁহখিনি কিনি পথাৰতে ৰাখিছিল। ৬০ বছৰীয়া লোকজনে পুৱাই পথাৰত গৰু এৰাল দিবলৈ গৈ পথাৰৰ পৰা কেইডালমান খৰি বুটলি আনিছিল। সৰু বাঁহৰ টুকুৰা এটা আনিছিল বৃদ্ধ লোকজনে। তাকে দেখি ভণ্ড ছাত্ৰ নেতা ছামচুলে বৃদ্ধ লোকজনক ধৰি লৈ পথাৰৰ মাজতে প্ৰহাৰ কৰাৰ অভিযোগ উত্থাপন কৰে। প্ৰহাৰ কৰাতেই ক্ষান্ত নাথাকি আঁঠু কাঢ়িবলৈ বাধ্য কৰায় বৃদ্ধজনক। ভিডিঅ' কৰি সেই ভিডিঅ' ছ'চিয়েল মিডিয়াত ভাইৰেল কৰে। ছামচুল হকৰ এই নিকৃষ্ট কাণ্ডই ঢেকীয়াজুলিত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। বৃদ্ধৰ পৰিয়ালে ঢেকীয়াজুলি থানাত এজাহাৰ দাখিল কৰে। নিশাই ঢেকীয়াজুলি আৰক্ষীয়ে ঘৰৰ পৰা ছামছুল হকক গ্ৰেপ্তাৰ কৰে। বিভিন্ন দল-সংগঠনে ছামচুল হকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱাৰ দাবী উত্থাপন কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভুল মানি লৈ ক্ষমাপ্ৰাৰ্থনা ৰঞ্জিত দাসৰ

নেতৃত্বাধীন অসম চৰকাৰে কংগ্ৰেছ নেতা তথা সাংবাদিকৰ বিৰুদ্ধে অনুসূচিত জাতি-জনজাতি অত্যাচাৰ নিবাৰণ আইন, ১৯৮৯ ৰ ধাৰাত গোচৰ ৰুজু কৰাৰ অভিযোগৰ মাজতে বিজেপি নেতা তথা অসম চৰকাৰৰ মন্ত্ৰী ৰণজিৎ দাসৰ এটা মন্তব্যই ৰাজ্যত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদত মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ ভোট বিচাৰবলৈ গৈ মন্ত্ৰী ৰণজিৎ দাসে অসমৰ অনুসূচিত জাতিৰ লোকসকলক অপমান কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। ইতিমধ্যে অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ কেন্দ্ৰীয় সমিতিয়ে ৰণজিৎ দাসৰ বিৰুদ্ধে মহানগৰীৰ দিছপুৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। এজাহাৰৰ ভিত্তিত দিছপুৰ আৰক্ষীয়ে অনুসূচিত জাতি-জনজাতি অত্যাচাৰ নিবাৰণ আইন, ১৯৮৯ ৰ ধাৰাত গোচৰ ৰুজু কৰিছে নে নাই সেয়া আৰক্ষীয়ে এই পৰ্যন্ত ৰাজহুৱা কৰা নাই। জানিব পৰা মতে, ২৮ মাৰ্চত মন্ত্ৰী ৰণজিৎ দাসে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ ৩০ নং বামুণীগাঁও সমষ্টিত প্ৰচাৰ চলাবলৈ গৈছিল। এখন নিৰ্বাচনী সভাত অংশ লৈ সাংবাদিকৰে মুখামুখি হোৱাৰ সময়ত মন্ত্ৰীগৰাকীয়ে ভাৰতবৰ্ষত জাতি কেইটা সেই সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এক মন্তব্যৰ প্ৰসংগ উল্লেখ কৰি কৈছিল যে ভাৰতবৰ্ষত চাৰিটা জাতি আছে। তেওঁ কৈছিল যে আমি যেনেকৈ বহুতে অসমীয়া, বঙালী, বড়ো, গোৰ্খা, কোঁচ, কলিতা, হীৰা, 'দোম', বামুণ, অমুক এনেকুৱাকৈ বিভিন্ন ধৰণৰ জাতি প্ৰথাৰ কথা কওঁ। কিন্তু প্ৰধানমন্ত্ৰীৰ দৃষ্টিত জাতি চাৰিটা। এটা জাতি হৈছে দুখীয়া, দ্বিতীয়তে মহিলা, কৃষক আৰু যুৱক। ৰণজিৎ দাসে প্ৰধানমন্ত্ৰীৰ মন্তব্যৰ প্ৰসংগত সুন্দৰকৈ বৰ্ণনা কৰি গৈছিল যদিও ইয়াৰ মাজতে তেওঁৰ মুখেৰে উচ্চাৰণ হৈছিল 'দোম' শব্দ। মন্ত্ৰীগৰাকীৰ মুখেৰে 'দোম' শব্দ ওলায় আৰু সেই মন্তব্য প্ৰচাৰৰ পিছতে ৰাজ্যত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। কিয়নো 'দোম' শব্দ ব্যৱহাৰ কৰি অসমৰ অনুসূচিত জাতিৰ লোকক তুচ্ছ-তাচ্ছিল্য কৰা হয়। অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি সঞ্জীৱ দাসে এনে শব্দ এজন মন্ত্ৰীৰ মুখত প্ৰকাশ পোৱাত তীব্ৰ নিন্দা কৰাৰ লগতে ২৮ মাৰ্চৰ নিশাই দিছপুৰ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। এজাহাৰ দাখিল কৰি শীঘ্ৰে মন্ত্ৰী দাসৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। সঞ্জীৱ দাসে কয় ৰণজিৎ দাসে অসমত বসবাস কৰা অনুসূচিত জাতিৰ লোকক ঘোৰ অপমান কৰিছে। দেখদেখকৈ ৰাজহুৱা স্থানত অনুসূচিত জাতিৰ লোকক অসন্মানীয় আৰু অসাংবিধানিক শব্দ ব্যৱহাৰ কৰি অপমান কৰিছে। 'দোম' শব্দ অসাংবিধানিক আৰু অনুসূচিত জাতিৰ লোকক 'নীচ' 'অধম' বুলি গণ্য কৰি ব্যৱহাৰ কৰে একাংশ লোকে। আজিও একাংশ লোকে 'দোম' শব্দ ব্যৱহাৰ কৰি অনুসূচিত জাতিৰ লোকক 'দোম' বুলি কৈ তুচ্ছ-তাচ্ছিল্য কৰি আহিছে। কিন্তু মন্ত্ৰী ৰণজিৎ দাসে সংবিধানৰ শপত লৈ মন্ত্ৰী হোৱাৰ পিছতো অসাংবিধানিক শব্দ মুখেৰে কৈছে। এই কথা সহ্য কৰিব নোৱাৰি। ইপিনে মন্ত্ৰীগৰাকীয়ে আজি পুৱাই সাংবাদ মাধ্যমৰ মুখামুখি হৈ এনে শব্দ মুখেৰে অজানিতে ওলাই যোৱা বুলি স্বীকাৰ কৰি ক্ষমা খোজে। মন্ত্ৰীগৰাকীয়ে কয় যে মোৰ মুখেৰে এটা অসাংবিধানিক শব্দ ওলাই গৈছে। মোৰ যেতিয়া বোধগম্য হ'ল তেতিয়া বুজিছিলো যে সেই অসাংবিধানিক শব্দটো মোৰ মুখেৰে ওলাব নালাগিছিল। কিবা কাৰণত হয়তো ওলাই গ'ল। তাৰ বাবে মই অনুতপ্ত। মোৰ মুখৰ পৰা যাতে শব্দটো দুনাই নোলায় তাৰ বাবে সংযত হ'ম। বহুতে দুখ প্ৰকাশ কৰিছে। বহুতে এজাহাৰ ৰুজু কৰিছে। এই শব্দটোৰ বাবে মই সকলো অসমবাসীৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছো- কয় মন্ত্ৰী দাসে। কিন্তু মন্ত্ৰীগৰাকীয়ে কিবা কাৰণত হয়তো এনে শব্দ ওলাই গ'ল বুলি কোৱাত উভতি ধৰিছে অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ কেন্দ্ৰীয় সভাপতি সঞ্জীৱ দাসে। সঞ্জীৱ দাসে কয় যে তেনে শব্দ মগজুত থাকিব লাগিব তেতিয়াহে মুখেৰে ওলায়। লগতে সঞ্জীৱ দাসে কয় যে এগৰাকী মন্ত্ৰীয়ে এনে শব্দ কোৱাটো দুৰ্ভাগ্যজনক। অনুসূচিত জাতিৰ বাবে থকা সকলো আঁচনি মন্ত্ৰী পীযুষ হাজৰিকা আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৰ্তন কৰিছে। তাৰ দ্বাৰা আমি বুজিব পাৰিছো যে এইখন চৰকাৰ অনুসূচিত জাতি বিৰোধী চৰকাৰ। অনুসূচিত জাতিৰ হৈ কাম নকৰে। অনুসূচিত জাতিৰ লোকসকলক হেয় প্ৰতিপন্ন কৰিবলৈ কাম কৰে। এই বিষয়ত আমি দেশৰ ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু অনুসূচিক জাতিৰ ৰাষ্ট্ৰীয় আয়োগক এই বিষয়ত স্মাৰক যোগে অৱগত কৰিম বুলিও কয় সঞ্জীৱ দাসে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ম্যানমাৰত ৰুষ্ট প্ৰকৃতিৰ তাণ্ডৱ

১০০০ ৰো অধিক লোকে প্ৰাণ হেৰুৱাইছে আৰু ২৩৭৬ জন লোক আহত হৈছে। ধ্বংসাৱশেষৰ পৰা আৰু অধিক মৃতদেহ উদ্ধাৰ হোৱাৰ পিছতে শনিবাৰে দেশৰ সামৰিক চৰকাৰে এই তথ্য সদৰী কৰে। ভূমিকম্পত বিধ্বস্ত ম্যানমাৰলৈ ভাৰতে প্ৰেৰণ কৰিছে সাহায্য। ইয়াংগনত উপস্থিত হৈছে ১৫ টন সাহায্য সামগ্ৰীৰ প্ৰথমটো গোট। য'ত আছে তম্বু, কম্বল, খাদ্যৰ পেকেট, ঔষধ আৰু অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰী। বাকী দুখন বিমানে অধিক সাহায্য সামগ্ৰী কঢ়িয়াই আৰু ৮০ জনীয়া এনডিআৰএফৰ এটা দল ম্যানমাৰলৈ ৰাওনা হৈছে। তদুপৰি ভাৰতে ১১৮ গৰাকী বিশেষজ্ঞ চিকিৎসক আৰু স্বাস্থ্যকৰ্মীক প্ৰেৰণ কৰি ক্ষতিগ্ৰস্ত চহৰ মণ্ডলেত এখন ক্ষেত্ৰ চিকিৎসালয় স্থাপন কৰিছে। ইয়াৰ উপৰি ভাৰতীয় নৌসেনাৰ চাৰিখন জাহাজ ম্যানমাৰলৈ গৈ আছে। ইতিমধ্যে প্ৰথমখন জাহাজ ১০ টন সাহায্য লৈ যাত্ৰা কৰিছে, দেওবাৰে পুৰা আৰু দুখন জাহাজ ইয়াংগনত উপস্থিত হ'ব। শুকুৰবাৰৰ ভূমিকম্পৰ ফলত মধ্য ম্যানমাৰত ব্যাপক ক্ষতি সাধন হয়। সামৰিক চৰকাৰে ছটা অঞ্চলত জৰুৰীকালীন অৱস্থা ঘোষণা কৰিছে। থাইলেণ্ডত নিৰ্মাণৰত বহুমহলীয়া অট্টালিকা ভাঙি কমেও ৬ জনৰ মৃত্যু হৈছে। চীনৰ বিভিন্ন প্ৰান্ততো ক্ষতিৰ খবৰ পোৱা গৈছে। ভাৰতৰ উপৰি ৰাছিয়া, চীন আৰু টাইৱানে উদ্ধাৰ অভিযানত সাহায্য প্ৰেৰণ কৰিছে। ৰাছিয়াই ১২০ জন উদ্ধাৰ কৰ্মী আৰু চিকিৎসা বিশেষজ্ঞ প্ৰেৰণ কৰাৰ বিপৰীতে চীনে ম্যানমাৰৰ বিভিন্ন অঞ্চললৈও একাধিক উদ্ধাৰকাৰী দল প্ৰেৰণ কৰিছে। ইয়াৰ উপৰি নিউজিলেণ্ডে আন্তঃৰাষ্ট্ৰীয় ৰেড ক্ৰছৰ জৰিয়তে ম্যানমাৰক সাহায্য প্ৰদানৰ ঘোষণা কৰিছে। ম্যানমাৰৰ পৰিস্থিতিক লৈ উদ্বেগ প্ৰকাশ কৰিছে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। শনিবাৰে তেওঁ দেশৰ সামৰিক শাসক মিন আং হ্লাইঙৰ সৈতে কথা পাতি সংহতি প্ৰকাশ কৰে। নতুন দিল্লীয়ে কয় যে এই দুৰ্যোগৰ সময়ত ভাৰত ম্যানমাৰৰ কাষত থিয় দিব।

# শিৱসাগৰত কংগ্ৰেছ আৰু ৰাইজৰ দলৰ প্ৰতিবাদ

**ই-সংবাদ, শিৱসাগৰ, ২৯ মাৰ্চঃ** বাৰে বাৰে গ্ৰেপ্তাৰ কৰা সাংবাদিক দিলোৱাৰ হুছেইনৰ মুক্তিৰ দাবীত আজি শিৱসাগৰত কংগ্ৰেছ আৰু ৰাইজৰ দলৰ পৃথকে পৃথকে প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে আৰক্ষী বাহিনীৰ যোগেদি আইনৰ অপ-প্ৰয়োগেৰে দিলোৱাৰ হুছেইনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ পাছতেই সমগ্ৰ অসমৰ সাংবাদিকসকলৰ লগতে দল-সংগঠনসমূহেও প্ৰতিবাদ অব্যাহত ৰাখিছে। আজি শিৱসাগৰ জিলা কংগ্ৰেছৰ কাৰ্য্যালয়ৰ সন্মুখত ভালেসংখ্যক কংগ্ৰেছ কৰ্মীয়ে প্ৰতিবাদ সাব্যস্ত কৰে। শিৱসাগৰ জিলা কংগ্ৰেছ কৰ্মীসকলে বিজেপিৰ অপশাসনৰ বন্ধ হওক, সাংবাদিক নিৰ্যাতন বন্ধ কৰক আদি শ্ল'গানেৰে উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। প্ৰতিবাদকাৰীসকলে হিমন্ত বিশ্ব শৰ্মাই ৰাইজৰ ওপৰত শাৰীৰিক আৰু মানসিক অত্যাচাৰ অব্যাহত ৰখাৰ লগতে সংবাদ মাধ্যমৰ মুখ বন্ধ কৰাৰ প্ৰচেষ্টা গণতন্ত্ৰৰ বাবে শুভ লক্ষণ নহয় বুলি অভিহিত কৰাৰ লগতে সমগ্ৰ ঘটনাক ধিক্কাৰ দিয়ে। প্ৰতিবাদকাৰীসকলে চৰকাৰৰ এই কাৰ্যক তীব্ৰ ভাষাৰে গৰিহণা প্ৰদান কৰে। আনহাতে, ৰাইজৰ দল শিৱসাগৰ জিলা সমিতিয়ে শিৱসাগৰ চহৰৰ মাজমজিয়াৰ দ'লমুখ চাৰিআলিত সাংবাদিক দিলোৱাৰ হুছেইনৰ মুক্তিৰ দাবীত প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে চৰকাৰ বিৰোধী শ্ল'গানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। বিজেপিৰ নেতৃত্বাধীন চৰকাৰখনে দুৰ্নীতি, শোষণ, লুণ্ঠনৰ বিৰুদ্ধে প্ৰশ্ন উত্থাপন কৰা যিকোনো লোকৰ বিৰুদ্ধে আৰক্ষী বাহিনী লগাই দমন কৰাৰ চেষ্টা চলোৱাৰ অভিযোগ কৰে।

# এপেক্স বেংক কেলেংকাৰীৰ তদন্তৰ দাবীত বাওঁপন্থী দলৰ বিক্ষোভ




**ই-সংবাদ, গুৱাহাটী, ২৯ মাৰ্চঃ** অসম কো-অপাৰেটিভ এপেক্স বেংকত সংঘটিত কেইবা কোটি টকীয়া কেলেংকাৰীকৈ লৈ ৰাজ্যত তীব্ৰ প্ৰতিক্ৰিয়া অব্যাহত আছে। ৰাজেশ বাজাজে প্ৰায় ২০ কোটি টকা উলিয়াই নিয়া কেলেংকাৰী আৰু ডাতা মজুত ব্যৱস্থাৰ নিবিদাৰ নামত সংঘটিত ২৮ কোটি টকীয়া কেলেংকাৰীৰ তদন্তৰ দাবী উত্থাপন কৰি আহিছে। বিভিন্ন দল-সংগঠনে তদন্তৰ দাবী উত্থাপন কৰি প্ৰতিবাদৰ সময়তে আজি গুৱাহাটীৰ আমবাৰীত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰিছে চাৰিটাকৈ বামপন্থী সংগঠনে। হাতে হাতে বিভিন্ন শ্ল'গান লিখা পোষ্টাৰ লৈ চৰকাৰ বিৰোধী শ্ল'গান দি উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। প্ৰায় দুই শতাধিক নেতা-কৰ্মীয়ে এপেক্স বেংকৰ কেলেংকাৰীৰ তদন্ত কৰক, দুৰ্নীতিগ্ৰস্ত বিষয়াক গ্ৰেপ্তাৰ কৰক। তদন্তৰ বাবে কমিটী গঠন কৰক আদি শ্ল'গান প্ৰদান কৰে। এগৰাকী প্ৰতিবাদকাৰীয়ে কয় যে অন্যায়ৰ বিৰুদ্ধে এই বিক্ষোভ কৰা হৈছে। বিজেপি চৰকাৰৰ স্বৈৰতান্ত্ৰিক কৰ্মকাণ্ড, সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰৰ বে-আইনী গ্ৰেপ্তাৰৰ বিৰুদ্ধে আৰু এপেক্স বেংকৰ দুৰ্নীতিৰ সঠিক তদন্তৰ দাবীত বাওঁপন্থী দলসমূহে বিক্ষোভ প্ৰদৰ্শন কৰিছে।

# তামুলপুৰত অসম দৰ্শন আঁচনিৰ চেক বিতৰণ

**ই-সংবাদ, তামুলপুৰ, ২৯ মাৰ্চঃ** আজি তামুলপুৰ জিলাৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অসম দৰ্শন আঁচনিৰ চেক্ বিতৰণ আৰু সদৌ বাথৌ মহাসভাৰ বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতি সম্পৰ্কীয় এখনি সভা অনুষ্ঠিত হয়। জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীৰ অধ্যক্ষতাত অনুষ্ঠিত সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে স্থানীয় বিধায়ক জলেন দৈমাৰী। সভাৰ আৰম্ভণিতে জিলাখনৰ ৮টা বাথৌ থানচালি কমিটীক অসম চৰকাৰৰ ২০২৪-২৫ বৰ্ষৰ অসম দৰ্শন আঁচনিৰ অধীনত ডেৰ লাখ টকা প্ৰথম কিস্তিৰ চেক্ বিতৰণ কৰা হয়। তাৰপাছত পথালিকুছিস্থিত ফাইলাও মাইনাও ফৌথাৰত ৪, ৫ আৰু ৬ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া সদৌ বাথৌ মহাসভাৰ ৩২ সংখ্যক বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতি সম্পৰ্কেও আলোচনা কৰা হয়, য'ত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থকাৰ কথা। ৬ তাৰিখৰ মুকলি অধিৱেশনত প্ৰায় ৩৫ হাজাৰ ভক্তৰ সমাগম হোৱাৰ সম্ভাৱনা আছে। উল্লেখ্য যে এই অধিৱেশনত পশ্চিমবংগ, নেপাল, অৰুণাচল, মেঘালয় আদিৰপৰাও ভক্তৰ সমাগম হ'ব। অধিৱেশনখনি যাতে সুচাৰুৰূপে অনুষ্ঠিত হয়, তাৰপ্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনৰ লগতে স্থানীয় বিধায়কগৰাকীয়েও সংশ্লিষ্ট বিভাগসমূহক আহ্বান জনায়।

# ভাদৈত বিহুনাচ আৰু ঢোলবাদন কৰ্মশালাৰ সামৰণি

**ই-সংবাদ বিশেষ, দুলীয়াজান, ২৯ মাৰ্চঃ** আটাছু ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত আৰু ভাদৈ আঞ্চলিক সমিতিৰ সহযোগত চপাতলীত অনুষ্ঠিত হোৱা বিহু নাচ আৰু ঢোল বাদন কৰ্মশালাৰ কালি সামৰণি পৰে। গ্ৰামাঞ্চলৰ উঠি অহা ছাত্ৰ-ছাত্ৰীসকলে বিহুনাচ, বিহু গানৰ লগতে ঢোলবাদন, পেঁপা বাদন শিকিবৰ বাবে আৰু বিহুক পুনৰ গাঁওমুখী কৰি তুলিবৰ বাবে ১ নং চপাতলী প্ৰাথমিক বিদ্যালয় খেলপথাৰ প্ৰাংগণত আটাছু ডিব্ৰুগড় জিলা সমিতিৰ সাধাৰণ সম্পাদক ৰূপম গগৈৰ নেতৃত্বত উক্ত কৰ্মশালাখন অনুষ্ঠিত হৈ যায়। ২১ মাৰ্চৰপৰা অনুষ্ঠিত হোৱা এই কৰ্মশালাত স্থানীয় শতাধিক নাচনী আৰু একুৰিৰো অধিক ঢুলীয়াই অংশগ্ৰহণ কৰে। এই উপলক্ষে আয়োজিত বিহু কৰ্মশালাৰ সামৰণি অনুষ্ঠানত আটাছুৰ কেন্দ্ৰীয় উপদেষ্টা অনিল গগৈ, ডিব্ৰুগড় জিলা সমিতিৰ মুখ্য উপদেষ্টা দেৱকান্ত গগৈ, সাধাৰণ সম্পাদক ৰূপম গগৈ, ভাদৈ কনিষ্ঠ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ গুণীন্দ্ৰ নাথ ফুকন, চি চিয়াঁ মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বিষেশ্বৰ গগৈ, দুলীয়াজান প্ৰেছ ক্লাবৰ সভাপতি ব্ৰজেন গগৈ, আছুৰ জিলা সহঃ সম্পাদক ৰূপাঞ্জিৎ ৰাজগিৰী, ডিব্ৰুগড় বিশ্ববিদ্যালয় টাই আহোম ছাত্ৰ সমাজৰ উপদেষ্টা সৌৰভ জ্যোতি গগৈ, সভাপতি ভাস্কৰ প্ৰতীম



গগৈ, সম্পাদক তন্ময় গগৈ, ভাদৈ শাখা ছাত্ৰ সন্থাৰ সভাপতি কল্যাণ গগৈ, সংবাদদাতা ঈদুল গগৈ, প্ৰাক্তন ছাত্ৰনেতা ৰমেন ফুকন, আটাছু ভাদৈ আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক বিতু গগৈৰ লগতে স্থানীয় বহু জ্যেষ্ঠ ব্যক্তি কৰ্মশালাত উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সাংবাদিকৰ মুক্তিৰ দাবীৰে প্ৰতিবাদ

সাব্যস্ত কৰিছে। দিলোৱাৰ হুছেইন মজুমদাৰক ৰাজ্য চৰকাৰে গ্ৰেপ্তাৰ কৰি স্বেচ্ছাচাৰিতাৰ প্ৰমাণ দিয়া বুলি অভিযোগ উত্থাপন কৰি সাংবাদিকজনক শীঘ্ৰে মুকলি কৰি দিয়াৰ দাবী জনাই দুয়োটা ৰাজনৈতিক দলে আজি ৰাজ্যৰ বিভিন্ন ঠাইত প্ৰতিবাদ সাব্যস্ত কৰে। কংগ্ৰেছ দলে গুৱাহাটীৰ ৰাজীৱ ভৱনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পুত্তলিকা দাহ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। হাত হাতে বিভিন্ন শ্ল'গান লিখা বেনাৰ-পোষ্টাৰ লৈ কংগ্ৰেছৰ নেতা-নেত্ৰীসকলে ৰাজীৱ ভৱনৰ ভিতৰত প্ৰতিবাদ সাব্যস্ত কৰে। জ্যেষ্ঠ নেতা বিপুল কুমাৰ গগৈ, জ্যেষ্ঠ নেত্ৰী ববিতা শৰ্মা, বিধায়িকা শিৱামণি বৰাসহ কেইবাগৰাকী জ্যেষ্ঠ নেতা-কৰ্মীৰ উপস্থিতিত আজি কংগ্ৰেছে মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ পুত্তলিকা দাহ কৰে। সাংবাদিকৰ স্বাধীনতা অক্ষুণ্ণ ৰাখক, গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভত আঘাত মানি লোৱা নহ'ব, একনায়কত্ববাদৰ অন্ত হওক, অসমক নিঃশেষ কৰাৰ ষড়যন্ত্ৰ বন্ধ কৰক, গণতন্ত্ৰৰ প্ৰতি এই ভাবুকি ওফৰাই পেলাম আদি শ্ল'গানেৰে প্ৰতিবাদ সাব্যস্ত কৰে। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ অন্তৰ্গত গুৱাহাটী মহানগৰ কমিটীয়ে প্ৰতিবাদ সাব্যস্ত কৰি ৰাজীৱ ভৱনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পুত্তলিকা দাহ কৰে কংগ্ৰেছৰ নেতা-কৰ্মীসকলে। তদ্ৰূপ কংগ্ৰেছৰ যোৰহাট জিলা, পশ্চিম কাৰ্বি আংলং জিলাকে ধৰি কেইবা ঠাইতো কংগ্ৰেছে প্ৰতিবাদ সাব্যস্ত কৰি দিলোৱাৰ হুছেইন মজুমদাৰৰ গ্ৰেপ্তাৰৰ বিৰোধ কৰে। অসম প্ৰদেশ কংগ্ৰেছৰ সাংগঠনিক সাধাৰণ সম্পাদক বিপুল গগৈয়ে শীঘ্ৰে দিলোৱাৰ হুছেইনৰ গ্ৰেপ্তাৰৰ বিৰোধ কৰি শীঘ্ৰে তেওঁক মুকলি কৰি দিয়াৰ দাবী উত্থাপন কৰে। জ্যেষ্ঠ নেত্ৰী ববিতা শৰ্মাই কয় যে দিলোৱাৰ হুছেইন মজুমদাৰে তেওঁ সাংবাদিক তেওঁ তেওঁৰ কৰ্তব্য পালন কৰিবলৈ গৈছিল। তেওঁ কৰ্তব্য পালন কৰি এপেক্স বেংকৰ যি দুৰ্নীতি সেই দুৰ্নীতিৰ বাতৰি কৰিবলৈ গৈছিল। বেংকৰ মানুহজনে তেওঁক নিজেই মাতি পঠিয়াইছিল। তাৰ বাবে কিয় তেওঁক গ্ৰেপ্তাৰ কৰিলে? যাক লৈ আজি গোটেই অসম তোলপাৰ লাগিছে। প্ৰেছ ক্লাব অৱ ইণ্ডিয়াই ইয়াৰ প্ৰতিবাদ কৰিছে। প্ৰথমবাৰ গ্ৰেপ্তাৰ কৰি আকৌ এবাৰ গ্ৰেপ্তাৰ কৰিলে। আজি আমাৰ মাজত বাক স্বাধীনতা নোহোৱা হৈছে। আমি আজি এই কাৰণেই প্ৰতিবাদ কৰিছো যাতে তেওঁৰ ওপৰত আৰু এটা গোচৰ জাপি নিদিয়ে। সাংবাদিকৰ নিৰাপত্তাক লৈ প্ৰশ্ন কৰি ববিতা শৰ্মাই আৰু কয় যে সাংবাদিকে প্ৰশ্ন কৰিব নোৱাৰে নেকি? আজি কেনেকৈ চতুৰ্থ স্তম্ভ ৰক্ষা হ'ব? যাক লৈ ৰাজ্যবাসী চিন্তিত। তৰুণ গগৈ চৰকাৰৰ দিনত নিৰ্বাচনৰ দিনা এখন কাকতত খুব বেয়া ধৰণে ফটো প্ৰকাশ হৈছিল। কিন্তু তেতিয়া কংগ্ৰেছে এনেধৰণৰ কাম কৰা নাছিল। তেনে প্ৰতিষ্ঠানৰ বিৰুদ্ধে আমি উঠিপৰি লগা নাছিল। হঠকাৰী সিদ্ধান্ত কেতিয়াও লোৱা নাছিলো। এইখন চৰকাৰৰ এনে কাণ্ডক আমি তীব্ৰ গহিৰণা দিছো। ইপিনে ৰাইজৰ দলে আজি ৰাজ্যৰ কেইবা ঠাইত প্ৰতিবাদ সাব্যস্ত কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'পুঁজিপতি বন্ধুক ঋণ দি মোদীয়ে ধ্বংস

তেওঁ অভিযোগ কৰে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ ব্যৱসায়িক বন্ধুসকলক ১৬ লাখ কোটি টকাৰ ঋণ ৰেহাই দিয়াৰ ফলত বেংকিং ব্যৱস্থাৰ সংকট আৰু অধিক ভয়াৱহ হৈ পৰিছে। ৰাহুলে দাবী কৰে যে ষ্টক মাৰ্কেট আৰু মিউচুৱেল ফাণ্ডত বিনিয়োগৰ ধাৰা বৃদ্ধি পাইছে, আনহাতে মানুহে বেংকত জমা ধন ৰাখিবলৈ গ্ৰাহক এতিয়া অনিচ্ছুক। ফলত বহু বেংকে খৰচ কমাব ধৰিছে, কৰ্মচাৰীক চাকৰিৰ পৰা বৰ্খাস্ত কৰিছে, গ্ৰাহকৰ বিভিন্ন সেৱা হ্ৰাস কৰিছে। শুকুৰবাৰে ৰাহুল গান্ধীয়ে আইচিআইচিআই বেংকৰ কৰ্মচাৰীৰ এটা প্ৰতিনিধি দলক সাক্ষাৎ কৰে। কৰ্মক্ষেত্ৰত হাৰাশাস্তি, অপ্ৰয়োজনীয় বদলি, দৰমহাৰ সমস্যা আদি অভিযোগ উত্থাপন কৰে কৰ্মচাৰীসকলে। ৰাহুলে তেওঁলোকক আশ্বাস দিয়ে যে কংগ্ৰেছে তেওঁলোকৰ কাষত থিয় দিব আৰু এই বিষয়টো সংসদত উত্থাপন হ'ব। বৈঠকৰ অন্তত ৰাহুলে ছ'চিয়েল মিডিয়াত লিখিছে- বিজেপি চৰকাৰে উদ্যোগপতি বন্ধুৰ ঋণ ৰেহাই দিয়াৰ বিপৰীতে সাধাৰণ বেংক কৰ্মচাৰীয়ে কঠিন পৰিস্থিতিত কাম কৰি আছে। এই সংকটৰ বাবে চৰকাৰ দায়ী। তেওঁ কয় যে বেংকিং খণ্ডৰ সাম্প্ৰতিক পৰিস্থিতি সাধাৰণ মানুহৰ বাবেও চিন্তনীয় আৰু অৰ্থনীতিৰ ভাৰসাম্য বিঘ্নিত কৰি তুলিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'অগপক ৰঙা চকু! কমলা কলিতাক

ডাঃ কমলা কলিতা, সত্যব্ৰত কলিতাই বাৰে বাৰে বিজেপিক আক্ৰমণ কৰি গৈছে। অগপক কমলপুৰ, পলাশবাৰী আসন এৰি দিয়াৰ দাবী জনাই আহিছে। যদি আসন অগপক এৰি নিদিয়ে তথাপি নিৰ্বাচন খেলাৰ হুংকাৰ প্ৰদান কৰি আহিছে অসম গণ পৰিষদৰ কেইবাগৰাকী নেতাই। তাকো জ্যেষ্ঠ নেতাসকলে। তাৰ মাজতে আজি সাংসদ তথা জ্যেষ্ঠ নেতা ফণীভূষণ চৌধুৰীয়ে ৰাজ্যসভাৰ আসনৰ লগতে এইবাৰ বিধানসভাৰ আসন বেছিকৈ লাগিব বুলি মন্তব্য প্ৰদান কৰে। ফণীভূষণ চৌধুৰীৰ মন্তব্যৰ পিছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই তাৎপৰ্যপূৰ্ণ মন্তব্য প্ৰদান কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ডাঃ কমলা কলিতাক ডুপ্লিকেট অগপ আখ্যা দিয়া পৰিলক্ষিত হয়। অগপক বেছি আসন দিব লাগে বুলি সৰৱ ডাঃ কমলা কলিতাক ডুপ্লিকেট অগপ নেতা আখ্যা দিয়াই নহয় মুখ্যমন্ত্ৰীয়ে তীব্ৰ সমালোচনা কৰিছে কলিতাক। অগপ নেতা কমলা কলিতা ডুপ্লিকেট অগপ। অগপ দলটো আমাৰ লগতে মিত্ৰতাত আছে যদি হাতীৰ ছবি এৰি আন ছবিত প্ৰতিদ্বন্দ্বিতা কৰিলে ডুপ্লিকেটেই হ'ব বুলি কয়। আজি মুখ্যমন্ত্ৰীয়ে হিমন্ত বিশ্ব শৰ্মাই ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনত ব্যাপক প্ৰচাৰ চলায়। মাৰাথন প্ৰচাৰ চলাই মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ বাবে ভোট বিচাৰে। তাৰ মাজতে মুখ্যমন্ত্ৰীক আগপই বেছি আসন দাবী কৰিব বুলি ফণীভূষণ চৌধুৰীয়ে কৰা মন্তব্যৰ প্ৰতিক্ৰিয়া জানিব খোজে মুখ্যমন্ত্ৰীৰ পৰা। তেতিয়া মুখ্যমন্ত্ৰীয়ে কয় যে আমি অগপৰ সৈতে একেলগে আছো। যদি হাতীৰ ছবিত নুঠি বেলেগ ছবিত উঠে তেওঁলোক ডুপ্লিকেট হ'ব নে নাই। অগপৰ মানুহ যদি হাতীৰ ছবিত নুঠে, বিজেপি যদি পদুম ফুলত নুঠি বেলেগ কাপ-প্লেট বা অন্য কিবা ছবিত উঠিলে তেওঁ ডুপ্লিকেট বিজেপি হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে টংকেশ্বৰ ৰাভা, ফণীভূষণ চৌধুৰীয়ে যিয়ে বেছি আসন লয় লওক। এইটো ঘৰৰ কথা। যিয়ে লয় লওক। কিন্তু কংগ্ৰেছে আসন ল'ব নালাগে। মুখ্যমন্ত্ৰীয়ে মুখ্য কাৰ্যবাহী টংকেশ্বৰ ৰাভা আৰু দিলীপ শইকীয়াৰ সৈতে কেইবাখনো নিৰ্বাচনী সভাত অংশ লৈ কংগ্ৰেছক তীব্ৰ আক্ৰমণ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে কংগ্ৰেছে মোক অৰুণোদয় দিয়াৰ বাবে সমালোচনা কৰে। এইবাৰ আমি ৪০ লাখ পৰিয়ালক অৰুণোদয় দিম। লগতে মাটিৰ দালালক ৰাজহুৱা সকীয়নি প্ৰদান কৰি কয় যে দুই-এদিনতে ধৰা হ'ব মাটিৰ দালাল। ৰাজ্যজুৰি চলিব মাটিৰ দালালৰ বিৰুদ্ধে অভিযান। ধৰ্ম বিশেষক পুনৰ টাৰ্গেট কৰি মানুহক গাহৰি পুহিবলৈ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয় যে ৰাইজে বেছিকৈ গাহৰি পালন কৰক। তেতিয়া কিছুমান মানুহ ওচৰলৈ নাহিব। গাঁৱে গাঁৱে গাহৰি পালন বাঢ়ক। তেতিয়াহে আহিম বুলি ভবা কিছুমান মানুহ আহিব নোৱাৰে। প'ৰ্টেলৰ বিৰুদ্ধে ব্যৱস্থা লোৱাৰ আমি পক্ষপাতী নহয় বুলি উল্লেখ কৰি ড০ শৰ্মাই কয় যে সাংবাদিকতা এক পবিত্ৰ বৃত্তি। ইয়াৰ লগত মিক্সড হ'ব নালেগে। যদি আমি সকলোৱে নিজৰ নিজৰ দায়িত্ব পালন কৰো। ২০০১ চনৰ পৰা মই মন্ত্ৰী হোৱাৰ দিনৰে পৰা লিখি আছে। মোৰ বিৰুদ্ধে লিখা সাংবাদিকৰ ঘৰতো মই নিজে যাও। বেমাৰ-আজাৰ হ'লে, ঘৰৰ বিপদত হ'লে তেওঁলোকৰ লগত থাকো। যদি মই সাংবাদিক হৈ সাংবাদিকতাৰ বাহিৰৰ কাম কৰো তেন্তে আইন সকলোৰে বাবে সমান। বিজেপি এনে এখন চৰকাৰ আমাৰ বিৰুদ্ধে ইমান লিখে কেতিয়াও একো নকওঁ। কেতিয়াও টান শব্দ এটা নকওঁ। মুখ্যমন্ত্ৰীয়ে ১ এপ্ৰিলৰ পৰা কাৰ্যকৰী হোৱাকৈ বিদ্যুৎ বিল প্ৰতি ইউনিটত ১ টকা হ্ৰাস কৰাৰ কথা ঘোষণা কৰিছে। বছৰটোৰ শেষত ৰাজ্য চৰকাৰে ভাল অৱস্থা হৈ থাকিলে প্ৰতি ইউনিটত আৰু ১ টকাকৈ ৰেহাই প্ৰদান কৰিব বুলি আশ্বাস প্ৰদান কৰে। ৰাজসাহায্য আৰু কল্যাণমুখী নীতিৰ জৰিয়তে পৰিয়াল আৰু ব্যৱসায়ৰ ওপৰত বিত্তীয় বোজা হ্ৰাস কৰাৰ বাবে চৰকাৰৰ প্ৰতিশ্ৰুতিৰ ওপৰত গুৰুত্ব আৰোপ কৰি ১ এপ্ৰিলৰ পৰা প্ৰতি ইউনিটত বিদ্যুতৰ মাচুল ১ টকা হ্ৰাস কৰা হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অহা ৩০ বছৰলৈ ভাৰতত বিজেপিৰে

ভাৰতীয় জনতা পাৰ্টিয়ে। এই বিশ্বাস কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ। তেওঁৰ মতে গণতন্ত্ৰত যদি কোনো দলে কঠোৰ পৰিশ্ৰম কৰে আৰু দেশৰ স্বাৰ্থত কাম কৰে, তেন্তে বিজয়ৰ পথ নিশ্চিত। শুকুৰবাৰে নিশা টেলিভিছনৰ এক অনুষ্ঠানত ভাগ লৈ শ্বাহে কয় যে মই যেতিয়া বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি আছিলো তেতিয়া মই কৈছিলো যে অহা ৩০ বছৰলৈ বিজেপি ক্ষমতাত থাকিব। এতিয়ালৈকে মাত্ৰ ১০ বছৰহে পাৰ হৈছে। জনসাধাৰণৰ বাবে ভাল কাম কৰা দলসমূহে জনসাধাৰণৰ সমৰ্থন লাভ কৰে, আনহাতে বিফল হোৱা দলসমূহে আত্মবিশ্বাসৰ অভাৱত ভোগে। গৃহমন্ত্ৰীগৰাকীয়ে লগতে কয় যে একেধৰণৰ নাগৰিকত্ব আইনখন বিজেপিশাসিত সকলো ৰাজ্যতে পৰ্যায়ক্ৰমে প্ৰৱৰ্তন কৰা হ'ব। এয়া বিজেপিৰ অন্যতম মূল লক্ষ্য আৰু উত্তৰাখণ্ড চৰকাৰে ইতিমধ্যে এই আইনখন কাৰ্যকৰী কৰিছে। গুজৰাটকে ধৰি কেইবাখনো ৰাজ্যয়ো এই প্ৰক্ৰিয়া আৰম্ভ কৰিছে। শ্বাহে কয় যে আমি ৩৭০ অনুচ্ছেদ বাতিল কৰিছো, অযোধ্যাত ৰাম মন্দিৰ নিৰ্মাণৰ প্ৰতিশ্ৰুতি পূৰণ কৰিছো। এতিয়া সম নাগৰিকত্ব আইন কাৰ্যকৰী কৰাৰ সময়। দিল্লী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ যশৱন্ত বাৰ্মাৰ চৰকাৰী বাসগৃহৰ পৰা নগদ ধন উদ্ধাৰ সন্দৰ্ভত শ্বাহে কয় যে মুখ্য ন্যায়াধীশে বিষয়টো চোৰাচিতা কৰি তদন্তৰ নিৰ্দেশ দিছে। লগতে চৰকাৰে তদন্ত সমিতিৰ সৈতে সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে। আৰএছএছৰ হস্তক্ষেপ সন্দৰ্ভত সোধাত অমিত শ্বাহে স্পষ্টকৈ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চৰকাৰ চলোৱাত সংঘই হস্তক্ষেপ নকৰে। তেওঁৰ মতে, বিগত ১০০ বছৰ ধৰি আৰএছএছে দেশপ্ৰেমিক বিকাশ কৰি আহিছে। দেশৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি কেনেকৈ একেলগে সকলো পৰিচালনা কৰিব লাগে সংঘৰ পৰা শিকা উচিত বুলিও মন্তব্য কৰে শ্বাহে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অৱশেষত মুকলি আকাশৰ তললৈ

কেন্দ্ৰীয় কাৰাগাৰৰ পৰা দিলোৱাৰ হুছেইনক মুকলি কৰি দিয়ে। ২৮ মাৰ্চত দ্বিতীয়টো গোচৰত কামৰূপ মহানগৰ মুখ্য ন্যায়াধীশৰ আদালতে জামিন মঞ্জুৰ কৰিছিল সাংবাদিকগৰাকীৰ। কিন্তু আদালত বন্ধ হোৱাৰ ফলত বণ্ডৰ ধন জমা দিব নোৱাৰাত মুকলি আকাশৰ তললৈ ওলাই আহিব নোৱাৰিলে। আৰু এটা দিন বেছিকৈ কেন্দ্ৰীয় কাৰাগাৰত অতিবাহিত কৰি আজি ৬ বজাত তেওঁ কেন্দ্ৰীয় কাৰাগাৰৰ পৰা মুক্তি লাভ কৰে। দিলোৱাৰে কাৰাগাৰমুক্ত হৈয়ে সংবাদকৰ্মী, সংবাদসেৱী, সংবাদাতা, মালিকগোষ্ঠী, সম্পাদক, মেনেজমেণ্টৰ সৈতে জড়িত প্ৰতিগৰাকীৰ লোকৰ লগতে অধিবক্তা সমাজ, নাগৰিক সমাজ, শিল্পী সমাজক ধন্যবাদ জ্ঞাপন কৰিছে। যি বিশ্বাসক লৈ তেওঁৰ হৈ মাত দিছে সেই বিশ্বাস অটুট ৰাখি প্ৰশ্ন কৰাই মোৰ কাম আৰু মই প্ৰশ্ন কৰি যাম বুলি দৃঢ় মত পোষণ কৰিছে। আপোনালোকে দেখা পাই থাকিব যে মই প্ৰশ্ন কৰি যাম। সন্মুখত যিমানে বিপদ নাহক কিয় আমি প্ৰশ্ন কৰি যাম বুলি বাৰে বাৰে দোহাৰে। আৰক্ষীয়ে ঘৰত অভিযান চলাই ৫৩ খন নথি নিয়া বুলি প্ৰকাশ কৰিছে। এলএলবিৰ চাৰ্টিফিকেট, উৰলি যোৱা এটিএম কাৰ্ড, লেপটপ, মোবাইল, পাছপৰ্ট জব্দ কৰা বুলি কয়। লগতে তেওঁ কয় যে আৰক্ষীয়ে মোৰ পঢ়া প্ৰমাণ-পত্ৰ চাইছে। এলএলবিৰ ডিগ্ৰীৰ কথা জানিব খুজিছিল। সকলোৰে জানে যে যেতিয়া মই ডি-ৰাই ৩৬৫ত কাম কৰি আছিলো। ৰাতি ডিউটী কৰি দিনত পঢ়ি এলএলবি কৰিছো। বিদেশ ভ্ৰমণ সন্দৰ্ভত তেওঁ কয় যে মোৰ মা যিহেতু ৮০ বছৰীয়া। সেইবাবে মাৰ সৈতে হজত গৈছিলো। আৰু শ্যামকানু মহন্তই যেতিয়া থাইলেণ্ডত নৰ্থ ইষ্ট ফেষ্টিভেল পাতিছিল তেতিয়া গৈছিলো। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী পীযুষ হাজৰিকাকে ধৰি বিজেপিৰ বহু নেতাই দিলোৱাৰ সাংবাদিকতাৰ লগতে ব্যৱসায় কৰাৰ অভিযোগ উত্থাপন কৰিছিল। আজি তাৰো উত্তৰ দি দিলোৱাৰে মই ব্যৱসায়ত নাই বুলি স্পষ্ট কৰে। পিপিএফ আৰু পিএফ একাউণ্ট আছিল। মোৰ এটা ইঞ্চুৰেন্স আছিল। সেইটো ভাঙি মোৰ দুগৰাকী ছোৱালীৰ ভৱিষ্যতৰ বাবে মই দুখন গাড়ী কিনিছিলো। লাভ হ'ব বুলি ভাবিছিলো। কিন্তু মিছা কথা একো নাই। আনহাতে দোকান এখনৰ কথা ওলাই আছে। পত্নীয়ে বিয়াত লাভ কৰা গহনা জুৱেডৰ বেংক অৱ বৰোদাত বন্ধকত ৰাখি ২ লাখ ৫০ হাজাৰ টকা লৈ দোকানখন পত্নীয়ে দিয়া বুলি উল্লেখ কৰে। ছোৱালী দুজনীৰ বাবে সততা আৰু নিষ্ঠাৰে যদি কিবা কৰিব খুজিছিলো তেন্তে তাত আপত্তি কৰিবলৈ একো নাই। ঘৰৰ যিখন ফটো ভাইৰেল হৈছিল সেই সন্দৰ্ভত স্পষ্টীকৰণ দি কয় যে সেই ঘৰটো মোৰ নহয়। মোৰ ভাগত এটা আছাম টাইপৰ ঘৰ পৰিছে। যিটো ঘৰ দেখিছে সেইটো আমাৰ অন্য এজনৰ ভাগত পৰিছে। সাংবাদিকসকলো অৰ্থনৈতিকভাৱে স্বাধীন হ'ব লাগে বুলি উল্লেখ কৰি হুছেইনে কয় যে মই সাংবাদিক নে অধিবক্তা। মোক সদায়েই আপোনালোকে ফিল্ডত পায়। কৰবাত দালালিত পোৱা নাই। মই ৮ ঘণ্টা ডিউটি কৰি যিখিনি সময় পাওঁ সেই সময়খিনি অবাবত আড্ডা মাৰি কটোৱাতকৈ এলএলবিৰ চৰ্চা কৰো। ২৮ মাৰ্চত কামৰূপ মহানগৰ জিলা মুখ্য ন্যায়াধীশৰ আদালতে দ্বিতীয়টো গোচৰত জামিন প্ৰদান কৰিছিল দিলোৱাৰ হুছেইনক। দিলোৱাৰৰ হৈ অংশুমান বৰাই যুক্তি প্ৰদৰ্শন কৰিছিল। দ্বিতীয়টো গোচৰত ২০ হাজাৰ টকাৰ বণ্ডত জামিন প্ৰদান কৰিছিল দিলোৱাৰক। কিন্তু আৰক্ষী পক্ষৰ অধিবক্তাই জনজাতীয় লোকক লক্ষ্য কৰি অপমানজনক আচৰণ-মন্তব্য কৰাত জাতি আৰু অনুসূচিত জনজাতি (অত্যাচাৰ প্ৰতিৰোধ) আইনৰ ধাৰা সংপৃক্ত কৰিবলৈ পুনৰ আৰ্জি দিছিল। লগতে এপেক্স বেংকৰ পৰিচালন সঞ্চালকৰ গোচৰতো অতিৰিক্ত ধাৰা লগোৱাৰ আৰ্জি দিছিল আদালতত। কিন্তু আৰক্ষী পক্ষৰ অধিবক্তাৰ যুক্তি মানি নল'লে আদালতে। যদিও ২৮ মাৰ্চত বণ্ড জমা কৰিব নোৱাৰাত ন্যায়িক জিম্মাত কেন্দ্ৰীয় কাৰাগাৰত থাকিবলগীয়া হৈছিল। গুৱাহাটী আৰক্ষীয়ে গোচৰ জাপি নিদিয়াত মুকলি আকাশৰ তললৈ ওলাই আহে সাংবাদিক দিলোৱাৰ। ২৫ মাৰ্চত এপেক্স বেংকক সংঘটিত প্ৰায় ২৮ কোটি টকীয়া কেলেংকাৰীৰ বিৰুদ্ধে পাণবজাৰ কাৰ্যালয়ৰ সন্মুখত অসম জাতীয় পৰিষদৰ ভাতৃ সংগঠনে কৰা প্ৰতিবাদৰ বাতৰি সংগ্ৰহৰ সময়তে পাণবজাৰ আৰক্ষী থানালৈ মাতি নি প্ৰায় ৯ ঘণ্টা বহুৱাই ৰাখি নিশা গ্ৰেপ্তাৰ কৰিছিল সাংবাদিক দিলোৱাৰ হুছেইনক মুজমদাৰক। ২৬ মাৰ্চত দিলোৱাৰ হুছেইন মজুমদাৰক জামিন প্ৰদান কৰা হৈছিল যদিও ২৭ মাৰ্চত গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰত পুনৰ গ্ৰেপ্তাৰ কৰে পাণবজাৰ আৰক্ষীয়ে। এইবাৰ গ্ৰেপ্তাৰ কৰা হয় বেংকটোৰ পৰিচালনা সঞ্চালক ডম্বৰু শইকীয়াৰ এজাহাৰৰ ভিত্তিত। এজাহাৰত চুৰিৰ অভিযোগ আনে। ২৭ মাৰ্চত কাৰাগাৰৰ ভিতৰতে পুনৰ গ্ৰেপ্তাৰ কৰাৰ পিছত নিশা পাণবজাৰ আৰক্ষীয়ে সাংবাদিকজনক লৈ কেইবাঠাইত অভিযান চলায়। পুৱতি নিশা দিলোৱাৰ হুছেইনৰ মজুমদাৰৰ ঘোঁৰামৰাৰ প্ৰাগজ্যোতিষ হাউছিঙৰ ঘৰ, ডবকাৰ পৈতৃক ঘৰ আৰু গণেশগুৰিৰ ব্যৱসায় প্ৰতিষ্ঠানত অভিযান চলায়। আনহাতে সাংবাদিকজনৰ দুখন ডাম্পাৰ আৰক্ষীয়ে জব্দ কৰিছে। দিলোৱাৰৰ মুক্তিত প্ৰেছ ক্লাবে ধন্যবাদ জ্ঞাপন কৰে। এক বিবৃতিত প্ৰেছ ক্লাবে কয় যে গুৱাহাটী প্ৰেছ ক্লাবৰ সহকাৰী সাধাৰণ সম্পাদক জ্যেষ্ঠ সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰক ন্যায়ালয়ে মুকলি কৰি দিয়াত প্ৰেছ ক্লাবে ন্যায়ৰ জয় হ'ল বুলি অভিহিত কৰিছে। গুৱাহাটী প্ৰেছ ক্লাবে সকলো সাংবাদিক, নাগৰিক সমাজ, বিভিন্ন সংগঠন আৰু গণতন্ত্ৰপ্ৰেমী নাগৰিকলৈ ধন্যবাদ জ্ঞাপন কৰিছে। সাংবাদিকসকলে গুৱাহাটী প্ৰেছ ক্লাবৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই আমাৰ এই ন্যায়ৰ সংগ্ৰামত যি অভূতপূৰ্ব একতাৰ শক্তি দাঙি ধৰিলে, ইয়ে ভৱিষ্যতলৈ দৃষ্টান্ত হৈ ৰ'ব। ভৱিষ্যতে যাতে কোনো সাংবাদিক হাৰাশাস্তিৰ সন্মুখীন নহয়, ঐক্যবদ্ধ সংগ্ৰাম কৰ্তৃত্বশীল পক্ষৰ প্ৰতি সকীয়নি হৈ ৰ'ব।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ছাত্ৰ মুক্তিৰ নেতাক গ্ৰেপ্তাৰ

জিলাৰ সভাপতি অভিজিত চেতিয়াক ২৮ মাৰ্চৰ নিশা নিজ ঘৰৰ পৰা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। নিশা চেৰেকাপাৰৰ বাসগৃহৰ পৰা চেৰেকাপাৰ আৰক্ষীৰ গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰিছে। 'কা' আন্দোলনৰ এক পুৰণি গোচৰত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ শিৱসাগৰ জিলাৰ সভাপতি অভিজিত চেতিয়াক গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰা হয়। জানিব পৰা মতে, ২০২৪ চনত 'কা' বাতিলৰ দাবীত ৰাজপথত টায়াৰ জ্বলাই প্ৰতিবাদ কৰিছিল ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে। টায়াৰ জ্বলাই প্ৰতিবাদ কৰাৰ সময়ত কৰ্তব্যৰত আৰক্ষীৰ সৈতে টনা-আঁজোৰা কৰাত আৰক্ষীয়ে ৯১/২০২৪ নম্বৰত গোচৰ ৰুজু কৰিছিল। গোচৰত হাজিৰ হ'বলৈ আদালতে চমন প্ৰেৰণ কৰিছিল। তিনিখনকৈ চমন দিয়াৰ পিছতো আদালতত হাজিৰ হোৱা নাছিল অভিজিত চেতিয়া। ফলত আদালত অৱমাননা কৰাত আদালত কঠোৰ হৈ আৰক্ষীক গ্ৰেপ্তাৰৰ নিৰ্দেশ দিয়ে। আৰক্ষীয়ে আদালতৰ নিৰ্দেশৰ ভিত্তিত গ্ৰেপ্তাৰ কৰে ছাত্ৰ মুক্তিৰ নেতাজনক। নিশা চেৰেকাপাৰৰ বাসগৃহৰ পৰা চেৰেকাপাৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি অভিজিত চেতিয়াক পোনে পোনে আদালতত হাজিৰ কৰোৱাত আদালতে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। গোচৰৰ বিচাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ বাবে আদালতত হাজিৰ হ'বলৈ ৩ বাৰ নিৰ্দেশ দিয়াৰ পিছতো হাজিৰ হোৱা নাছিল অভিজিত চেতিয়া। ইয়াৰ পৰিপ্ৰেক্ষিতে দণ্ডাধীশে অভিজিত চেতিয়াক ততালিকে গ্ৰেপ্তাৰৰ নিৰ্দেশ দিয়াত যোৱা নিশা শোৱাপাটীৰ পৰাই গ্ৰেপ্তাৰ কৰে চেৰেকাপাৰ আৰক্ষীয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# হিংসাই কেতিয়াও পৰিৱৰ্তন আনিব

আৰু কেন্দ্ৰীয় ৰিজাৰ্ভ আৰক্ষী বাহিনীয়ে যৌথ অভিযান আৰম্ভ কৰে। এই অভিযানত দুজন জোৱান আহত হ'লেও নিৰাপত্তা বাহিনীয়ে বৃহৎ পৰিমাণৰ অস্ত্ৰ উদ্ধাৰ কৰে। অভিযানৰ অন্তত শনিবাৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে নিৰাপত্তা বাহিনীক প্ৰশংসা কৰি মাওবাদীক অস্ত্ৰ-শস্ত্ৰ এৰি শান্তিৰ পথত আহিবলৈ আহ্বান জনায়। তেওঁ কয় যে হিংসাই কেতিয়াও পৰিৱৰ্তন আনিব নোৱাৰে, কেৱল শান্তি আৰু উন্নয়নেহে পৰিৱৰ্তন আনিব পাৰে। একে সময়তে তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে ২০২৬ চনৰ ৩১ মাৰ্চৰ ভিতৰত দেশখনক মাওবাদীৰ পৰা মুক্ত কৰাৰ সংকল্প লৈছে। ২০২৩ চনত ছত্তীশগড়ত বিজেপি চৰকাৰ ক্ষমতালৈ অহাৰ পিছৰে পৰা মাওবাদী বিৰোধী অভিযানে গতি লাভ কৰিছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে মাওবাদীক দমন কৰিবলৈ অধিক কঠোৰ পদক্ষেপ গ্ৰহণ কৰাৰ ইংগিত দিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# সকলোকে কন্দুৱাই গ'লগৈ

আজি দেহাৱসান ঘটে। বহু জনপ্ৰিয় গীতত কণ্ঠদান কৰা হীৰা দাসে আজি পুৱা ৩.৩০ বজাত কেতিয়াও উভতি নহা বাটেৰে গুছি যায়। ৭৩ বছৰ বয়সত মহানগৰীৰ এপ'ল' হাস্পতালত শেষ নিশ্বাস ত্যাগ। জনপ্ৰিয় কণ্ঠশিল্পীগৰাকী ২৩ মাৰ্চত ব্ৰেইন ষ্ট্ৰ'কত আক্ৰান্ত হোৱাত পৰিয়ালে এপ'ল' হাস্পতালত ভৰ্তি কৰিছিল যদিও চিকিৎসকে জীৱন ৰক্ষা কৰিব নোৱাৰিলে। জ্যেষ্ঠ চিকিৎসকৰ দলে তেওঁক চিকিৎসা কৰিছিল যদিও চিকিৎসাধীন অৱস্থাত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ খবৰ প্ৰকাশ হোৱাৰ পিছতে বহু গুণমুগ্ধৰে ঘৰ ভৰি পৰিছিল। হাস্পতালৰ পৰা নশ্বৰদেহ নিজ ঘৰলৈ নিয়া হয়। বিভিন্ন দল-সংগঠনে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। জনপ্ৰিয় কণ্ঠশিল্পীগৰাকীৰ মৃত্যুক ৰাজ্যত শোক ছাঁ পৰিছে। নৱগ্ৰহ শ্মশানত শিল্পীগৰাকীৰ নশ্বৰদেহ শেষকৃত্য সম্পন্ন কৰা হয়। প্ৰবীণ কণ্ঠশিল্পী হীৰা দাসে কেইবাটাও কালজয়ী গীত গাই অসমৰ সংগীত জগত সমৃদ্ধ কৰিছিল। আকাশবাণীৰ এ গ্ৰেড স্বীকৃতিপ্ৰাপ্ত কণ্ঠশিল্পী আছিল। হীৰা দাস শিল্পী, গীতিকাৰ জে.পি দাসৰ পত্নী আছিল। পত্নীক হেৰুৱাই শিল্পী জে.পি. দাস শোকত ভাগি পৰে। জে.পি. দাসে পত্নী হীৰা দাসক জীৱিতকালৰ স্মৃতি স্মৰণ কৰি কয় যে মই তেওঁৰ মাতৰ প্ৰেমত পৰিছিলো। দেখা নাছিলো। গান শুনি প্ৰেমত পৰিছিলো। ভাল গান গাইছিল। শিল্পীগৰাকীৰ মৃত্যুত মুখ্যমন্ত্ৰী ডঃ শৰ্মাৰ লগতে বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰি তেখেতৰ মৃত্যু অসমীয়া জাতিটোৰ বাবে অপূৰণীয় ক্ষতি বুলি কয়।

# ডিব্ৰুগড়ত তিনিটাকৈ সংগঠনৰ উদ্যোগত মহীয়সী জয়মতীৰ স্মৃতি দিৱস পালন

**ই-সংবাদ, ডিব্ৰুগড়, ২৯ মাৰ্চঃ** স্থানীয় জয়মতী উদ্যানত মহীয়সী জয়মতীৰ স্মৃতি দিৱসটি ২৭ মাৰ্চত তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰ, ডিব্ৰুগড় নাগৰিক মঞ্চ, আহোম সভা সদৰৰ উদ্যোগত আৰু ডিব্ৰুগড় প্ৰশাসনৰ সহযোগত অনুষ্ঠিত হৈ যায়। মহীয়সীগৰাকীৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্জ্বলন কৰে ডিব্ৰুগড় নাগৰিক মঞ্চৰ সভাপতি ড০ ভাৰতী দত্ত আৰু তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰৰ সভাপতি চাও হেমকান্ত দিহিঙীয়াই। আহোম সভা ডিব্ৰুগড় সদৰৰ সভাপতি চাও কৃষ্ণকান্ত চেতিয়াই পুষ্পাঞ্জলি তৰ্পণ কৰে। তাই কেন্দ্ৰৰ সম্পাদক দুৰ্লভ গগৈয়ে উপস্থিত সকলোকে আদৰণি জনাই বক্তব্য আগবঢ়ায়। নাগৰিক মঞ্চৰ সহঃ সম্পাদক দিগন্ত ফুকনে আঁতধৰা সভাত বক্তৃতা প্ৰদান কৰি মঞ্চৰ সভাপতি ড০ ভাৰতী দত্তই মহীয়সী জয়মতীৰ জীৱন তথা আত্মত্যাগৰ ব্যাখ্যা আগবঢ়াই কয় যে জয়মতীয়ে অকথ্য নিৰ্যাতন সহি মৃত্যুক আঁকোৱালি লৈ অসমত সুশাসনৰ বাট কাটি থৈ নোযোৱা হ'লে আমি হয়তো আজিৰ এই অসমখনি পাবলৈ সমৰ্থ নহ'লোহেঁতেন। এইগৰাকী নাৰীৰ অতুলনীয় স্বদেশপ্ৰেমৰ প্ৰচাৰ-প্ৰসাৰত গুৰুত্ব দিয়াটো আমাৰ প্ৰত্যেকৰে কৰ্তব্য। মদন কোঁৱৰে মহীয়হীগৰাকীৰ আত্মবলিদানৰ কথা প্ৰতিজন অসমীয়াই সুঁৱৰিব লাগে বুলি কয়। ড০ কমলেশ্বৰ দত্তই তেখেতৰ ভাষণত জয়মতীৰ দেশপ্ৰেমক সোঁৱৰাৰ লগতে তেওঁৰ পুত্ৰ, সুশাসক ৰুদ্ৰসিংহই শিৱসাগৰত প্ৰতিষ্ঠা কৰা স্মাৰকসমূহে পৰ্যটনৰ দিশটো সমৃদ্ধিশালী কৰাৰ প্ৰসংগও উল্লেখ কৰে। টুনুমণি বৰুৱাৰ পৰিচালনাত জয়াৰ স্মৃতিত সমৱেত কণ্ঠত এটি জ্যোতি সংগীত পৰিৱেশন কৰা হয়। গন্ধেশ্বৰ চমুৱাৰ পৰিচালনাত তাই ভাষাত এটি প্ৰাৰ্থনা জনোৱা হয়। ৰঞ্জিত বৰুৱা, ধনীৰাম বৰুৱা, অনিল প্ৰসাদ সিংহ, প্ৰাঞ্জল গগৈ, মৃদুল শৰ্মা, সন্ধ্যা দত্ত, ৰুবী সন্দিকৈ, দীপক কুমাৰ, চাংমাই প্ৰমুখ্যে বুজনসংখ্যক গণ্যমান্য ব্যক্তি সভাত উপস্থিত আছিল। শেষত শলাগ জ্ঞাপন কৰে দিগন্ত ফুকনে। সন্ধিয়া তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰত বাৰেবৰণীয়া সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

# হালোৱা-হজুৱা-শিপিনীক অইল ইণ্ডিয়াই বিলালে ৯.২১ কোটি টকাৰ সামগ্ৰী



**ই-সংবাদ, দুলীয়াজান, ২৯ মাৰ্চঃ** গ্ৰাম্য অৰ্থনীতিক টনকীয়াল কৰাৰ উদ্দেশ্যে অইল ইণ্ডিয়া লিমিটেডে প্ৰতিবছৰৰ দৰে চলিত বিত্তীয় বৰ্ষত আজি প্ৰতিষ্ঠানটোৰ নিগমিত সামাজিক দায়বদ্ধতা আঁচনিৰ প্ৰকল্প ৰূপান্তৰৰ অধীনত অইল অধ্যুষিত বিভিন্ন অঞ্চলৰ লোকৰ মাজত বিত্তীয় তথা কৃষি আৰু হস্তশিল্পৰ সা-সামগ্ৰী বিতৰণ কৰে। দুলীয়াজানৰ টিপলিংস্থিত চি এছ আৰ এক্টিভিটি কমপ্লেক্স 'স্বনিৰ্ভৰ'ত বাৰ্ষিক সামগ্ৰী আৰু বিত্তীয় সাহায্য বিতৰণী অনুষ্ঠানত এই সামগ্ৰীসমূহ বিতৰণ কৰা হয়। এই বৰ্ষৰ বাবে সমগ্ৰ প্ৰকল্পটোত মুঠ ৯.২১ কোটি টকা ব্যয় কৰা হয়। এই প্ৰকল্পৰ অধীনত কেৱল মহিলা হিতাধিকাৰীৰে গঠিত ২২৭ টা হস্ততাঁত যুটীয়া দায়বদ্ধ গোটে ১,১৩৫ টা ফ্লাই শ্বাটল হেণ্ডলুম ছেট, ৭,৯৪৫ কে জি সূতা, আনুসংগিক সামগ্ৰী আৰু ২২ লাখ ৭০ হাজাৰ টকাৰ আৱৰ্তিত (ৰিভলভিং) পুঁজি লাভ কৰে। আনহাতে, ১৩৬ টা কৃষিপাম যান্ত্ৰিকীকৰণ যুটীয়া দায়বদ্ধ গোটক ১৩৬ খন পাৱাৰ টিলাৰ, ১৩৬ টা পানী পাম্প, ১৩৬ টা স্প্ৰেয়াৰ মেচিন আৰু মুঠ ১ কোটি ৪২ লাখ টকাৰ সাহায্য পুঁজি প্ৰদান কৰা হয়। ইয়াৰ উপৰি ১৫ টা এগ্ৰ' প্ৰডাক্ট কেৰিয়াৰ গোটক ১৫ খন বাহন আৰু ১৫ লাখ টকাৰ সাহায্য পুঁজি প্ৰদান কৰা হয়। একেদৰে, ২০ টা বায়'ফ্লক একুৱাকালচাৰ গোটক ১০,০০০ লিটাৰ ক্ষমতা সম্পন্ন ৪০ টাকৈ মীন পালনৰ টেংক, ১,৬০,০০০ মাছৰ বীজ আৰু আন আন প্ৰয়োজনীয় সঁজুলি যেনে ইনভাৰ্টাৰ, পানীৰ মটৰ, অক্সিজেন মিটাৰ আদি প্ৰদান কৰা হয়। ইয়াৰ লগতে ১০ টা গোটক ১০ টা ৰীপাৰ (শস্য চপোৱা যন্ত্ৰ)ৰ লগতে ৮ লাখ টকাৰ সাহায্য পুঁজি প্ৰদান কৰা হয়। আনহাতে, সফল বয়ন গোটৰ স্বীকৃতি স্বৰূপে ২০ টা বিশেষ হস্ততাঁত গোটক বল বিয়াৰিং জেকুৱাৰ্ড মেচিন প্ৰদান কৰি বয়ন শিল্পৰ উৎপাদন আৰু কাৰ্যক্ষমতা বৃদ্ধিৰ বাবে উৎসাহিত কৰা হয়। এই কাৰ্য্যসূচীৰ লগতে অনুষ্ঠানটোত এখন প্ৰদৰ্শনীৰো আয়োজন কৰা হয়, য'ত ৰূপান্তৰৰ অধীনত পৰিচালিত সফল বয়ন গোটসকলে নিৰ্মাণ কৰি উলিওৱা মূল্য-সংযোজিত সামগ্ৰীসমূহ প্ৰদৰ্শন কৰা হয় আৰু তাত বাঘজান গোটক বিশেষভাৱে আলোকপাত কৰা হয়। অনুষ্ঠানত অইলৰ আৱাসিক মুখ্য বিষয়া ৰূপজ্যোতি ফুকন, দুলীয়াজান বিধানসভা সমষ্টিৰ বিধায়ক তেৰছ গোৱালা, দুলীয়াজান সমজিলাৰ আয়ুক্ত অংকুৰ দাস, এছ আই পি আৰ ডিৰ অধ্যক্ষ তাজনুৰ হুছেইন, অইলৰ ব্যৱসায়িক উন্নয়ন বিভাগৰ কাৰ্যবাহী সঞ্চালক তথা জন পৰিক্ৰমা (কৰ্পৰেট) বিভাগৰ অতিৰিক্ত ভাৰপ্ৰাপ্ত বিষয়া ৰঞ্জন গোস্বামী, মানৱ সম্পদ আৰু ক্ষেত্ৰীয় প্ৰশাসন বিভাগৰ কাৰ্যবাহী সঞ্চালক মাধুৰ্য্য বৰুৱা, বিত্ত আৰু লেখ বিভাগৰ কাৰ্য্যবাহী সঞ্চালক ৰূপম বৰুৱাৰ লগতে অইলৰ জ্যেষ্ঠ বিষয়াসকল আৰু প্ৰকল্পৰ হিতাধিকাৰীসকল উপস্থিত থাকে। উল্লেখ্য যে প্ৰকল্প ৰূপান্তৰ নামেৰে জনাজাত অইলৰ এই প্ৰকল্পই ২০০৮-০৯ চনৰপৰা এতিয়ালৈকে ৪,৬৭৬ টা আত্মসহায়ক গোট আৰু যুটীয়া দায়বদ্ধ গোটক দক্ষতা বিকাশ, ব্যৱস্থাপনা প্ৰশিক্ষণ, বিত্তীয় সাহায্য আৰু সামগ্ৰী প্ৰদানেৰে প্ৰায় ২৮,৭৮৫ টা পৰিয়ালক লাভান্বিত কৰিছে। চলিত ২০২৪-২৫ বিত্তীয় বৰ্ষত অইল ইণ্ডিয়া লিমিটেডে ৪২৮ টা যুটীয়া দায়বদ্ধ গোটক সাহায্য প্ৰদান কৰি ১,৯২৫ টা পৰিয়ালক উপকৃত কৰিছে।

# সঞ্জীৱনী সংস্কৃত টোলত বাসন্তী পূজাৰ আয়োজন

**ই-সংবাদ, বেবেজীয়া, ২৯ মাৰ্চঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ চকলাঘাটৰ ক্ষেত্ৰীগাঁৱত অৱস্থিত ঐতিহ্যমণ্ডিত হাতীচোং সঞ্জীৱনী সংস্কৃত টোল প্ৰাংগণত বিগত বৰ্ষসমূহৰ দৰে এইবাৰো অহা ৩ এপ্ৰিলৰপৰা পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে ৪০ সংখ্যক সাৰ্বজনীন শ্ৰীশ্ৰী বাসন্তী পূজাৰ আয়োজন কৰা হৈছে। এইমৰ্মে, জীৱ প্ৰসাদ বৰকটকীক সভাপতি, কনক বৰকটকীক কাৰ্যকৰী সভাপতি, অনিল আগমাচাৰ্য, জীতেন ভট্টাচাৰ্য, অমূল্য কটকী, মুকুল গোস্বামী আৰু নিৰ্মল চন্দ্ৰ শৰ্মাক উপ-সভাপতি তথা নিপন শৰ্মাক সম্পাদক হিচাপে লৈ এখন উদযাপন সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী অনুসৰি ৩ এপ্ৰিলত ষষ্ঠীৰ সন্ধিয়া ৬ বজাত শ্ৰীশ্ৰী বাসন্তী দেৱীৰ আমন্ত্ৰণ আৰু অধিবাস সম্পন্ন হ'ব। ৪ এপ্ৰিলত সপ্তমীৰ পুৱা ৭ বজাত চণ্ডী পাঠ, ৯ বজাত নৱপত্ৰিকা প্ৰৱেশ আৰু সপ্তমী বিহিত পূজা আৰম্ভ, দুপৰীয়া ১২ বজাত আহুতি প্ৰদান, বিয়লি ১ বজাত প্ৰসাদ আৰু ভোগ বিতৰণ, সন্ধিয়া ৬.৩০ বজাত মূল আৰতিৰ পিছতে ঘোষিকা শৰ্মাৰ পৰিচালনাত শিশুসকলৰ দ্বাৰা দেৱীৰ আৰতী আৰু বন্দনাসূচক নৃত্য পৰিৱেশন কৰা হ'ব। সেইদৰে ৫ এপ্ৰিলত অষ্টমীৰ পুৱা ৬ বজাত চণ্ডী পাঠ, ৯ বজাত অষ্টমীৰ বিহিত পূজা আৰম্ভ, দুপৰীয়া ১২ বজাত আহুতি প্ৰদান, বিয়লি ১ বজাত প্ৰসাদ আৰু ভোগ বিতৰণ, সন্ধিয়া ৬.৩০ বজাত মূল আৰতিৰ পিছতে আৰতী প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। পুনৰ ৬ এপ্ৰিলত নৱমীৰ পুৱা ৬ বজাত চণ্ডী পাঠ, ৯ বজাত নৱমী বিহিত পূজা আৰম্ভ, দুপৰীয়া ১ বজাত কুমাৰী পূজা, বিয়লি ১.৩০ বজাত পূৰ্ণাহুতি প্ৰদান, বিয়লি ২.৩০ বজাত প্ৰসাদ আৰু ভোগ বিতৰণ, সন্ধিয়া ৬.৩০ বজাত মূল আৰতিৰ পিছতে ভক্তিমূলক গীত-নৃত্যৰ বিচিত্ৰানুষ্ঠানৰ লগতে বিশিষ্ট শিল্পী ৰঞ্জন বেজবৰুৱাৰ পৰিকল্পনা তথা নাট্যকৰ্মী ধ্ৰুৱজ্যোতি বৰাৰ ৰচনা আৰু পৰিচালনাৰে মহিলা শিল্পীৰ দ্বাৰা 'মহিষমৰ্দিনী' শীৰ্ষক এক আলেখ্য প্ৰদৰ্শন কৰা হ'ব । ইফালে, ৭ এপ্ৰিলত পুৱা ৮ বজাত দশমী বিহিত পূজাৰ লগতে দেৱী বিসৰ্জন, অপৰাজিতা পূজা আৰু বলয় ধাৰণ অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। সেয়ে আটাইকেইদিনৰ সমূহ কাৰ্যসূচীতে ভক্তিপ্ৰাণ ৰাইজৰ উপস্থিতি তথা সহায়-সহযোগিতা একান্তভাৱে কামনা কৰিছে উদযাপন সমিতিয়ে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ প্ৰতিষ্ঠা দিৱসত দক্ষিণ কোৰিয়াৰ হং ৰজিন

**ই-সংবাদ, ডিব্ৰুগড়, ২৯ মাৰ্চঃ** সাহিত্যক উদ্যোগ হিচাপে গঢ়ি তুলিলে সাহিত্যৰ প্ৰচাৰ আৰু প্ৰসাৰ অধিক ৰূপত হ'ব। অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ দ্বিতীয় প্ৰতিষ্ঠা দিৱসৰ ডিব্ৰুগড় জিলাৰ দ্বাৰা অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত দক্ষিণ কোৰিয়াৰ আন্তঃৰাষ্ট্ৰীয় বক্তা হং ৰজিনে আজি এইদৰে কয়। ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত অনুষ্ঠিত এই অনুষ্ঠানত ৰজিনে কয়— দক্ষিণ কোৰিয়াত সৰুৰেপৰা সাহিত্য চৰ্চাৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ এক পৰিৱেশ আছে। দূৰদৰ্শন, বাতৰি কাকতকে ধৰি অন্যান্য সামাজিক মাধ্যমত সাহিত্য চৰ্চাৰ দিশটোক অধিক গুৰুত্ব প্ৰদান কৰি প্ৰচাৰ কৰে, যিয়ে সাহিত্যিকসকলক সাহিত্য চৰ্চাৰ প্ৰতি অধিক আগ্ৰহী কৰি তোলে। তেওঁ কয়— দক্ষিণ কোৰিয়াত সাহিত্য চৰ্চাৰ দিশটোক এনেধৰণে আগবঢ়াই নিয়াৰ বাবে হান কাঙে ন'বেল বঁটাৰ দৰে সন্মানীয় বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। তেওঁ ভাৰতবৰ্ষৰ লগতে অসমৰ সাহিত্যৰ মঞ্চখনক উদ্যোগলৈ ৰূপান্তৰিত কৰিবলৈ আহ্বান জনাই কয়-- সাহিত্যক বিভিন্ন সামাজিক মাধ্যমৰ জৰিয়তে জনপ্ৰিয় কৰি তুলিলে সাহিত্যৰ অধিক প্ৰচাৰ হ'ব। দক্ষিণ কোৰিয়াৰ সাহিত্যৰ কথা উল্লেখ কৰি তেওঁ কয়— দক্ষিণ কোৰিয়াত সাহিত্য চৰ্চাক অধিক গুৰুত্ব প্ৰদান কৰা হয়। সাহিত্যক অধিক জনমুখী কৰাৰ বাবে সাহিত্যিকসকলক অধিক উৎসাহ প্ৰদান কৰা হয়। মুখ্য দ্বাৰৰপৰা গায়ন-বায়ন, এন চি চিয়ে উষ্ম আদৰণী জনাই অনা অনুষ্ঠানটিত ৰজিনে নৱ-প্ৰজন্মক সাহিত্যৰ প্ৰতি অধিক আগ্ৰহী হ'বলৈ কোৰাৰ লগতে সাহিত্য চৰ্চাৰ প্ৰতি গুৰুত্ব দিবলৈ আহ্বান জনায়। অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ডিব্ৰুগড় জিলাৰ সাংগঠনিক সম্পাদক নীলাভ নয়ন বৰদলৈয়ে আঁতধৰা অনুষ্ঠানটিত আদৰণী ভাষণ প্ৰদান কৰে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদ, ডিব্ৰুগড় জিলাৰ সভাপতি তথা ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। আদৰণী ভাষণ প্ৰসংগত অধ্যক্ষ ড° শইকীয়াই আবৃত্তিক কেনেদৰে বৃত্তিলৈ ৰূপান্তৰিত কৰিব পাৰে সেই বিষয়ে বিতং ব্যাখ্যা আগবঢ়ায়। অনুষ্ঠানটি উদ্বোধন কৰি মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° বিনোদ চন্দ্ৰ বড়াই কয়— বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, বিৰিঞ্চি ভট্টাচাৰ্য, সমীৰ তাঁতীৰ দৰে বহুজনৰ কবিতাই আমাৰ জীৱনৰ প্ৰতিটো মুহূৰ্তক উপভোগ আৰু উপলব্ধি কৰিবৰ কাৰণে অনুপ্ৰাণিত কৰি আহিছে। কবিতাৰ পৃথিৱীখন এনে এক সুকীয়া পৃথিৱী, য'ত কবিয়ে নিজকে বহু কথা ক'ব খোজে, সমাজক বহু কথা ক'ব খোজে আৰু ক'ব খোজা কথাবোৰ নিৰ্ভেজাল হৈ নিৰ্ভিকভাৱে ক'ব পাৰে। সেই কথাখিনিৰে তেওঁৰ সমগ্ৰ যি ব্যক্তিত্ব, সমগ্ৰ যি মানসিকতা, সমাজ, সংস্কৃতিৰ প্ৰতি যি তেওঁৰ চেতনা সেই চেতনা প্ৰতিফলিত কৰিবলৈ চেষ্টা কৰে। অনুষ্ঠানত শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট আবৃত্তিকাৰ ড° সৌমাৰজ্যোতি মহন্ত আৰু বিশিষ্ট আবৃত্তিকাৰ, নীলমণি ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, সমাজকৰ্মী চেহিৰ আহমদক 'আবৃত্তি প্ৰজ্ঞা' সন্মান প্ৰদান কৰা হয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি প্ৰকাশ কৰা স্মৃতিগ্ৰন্থ 'আবৃত্তি কণ্ঠ' উন্মোচন কৰে বিশিষ্ট কবি ডাঃ প্ৰণয় ফুকনে। এই অনুষ্ঠানতে জিলাভিত্তিক কবিতা আবৃত্তি প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহো প্ৰদান কৰা হয়। অনুষ্ঠানত অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ দুলীয়াজান, ভাদৈ পাঁচআলি, মিলন নগৰ আৰু সদৰ সমিতি শাখাৰ লগতে ডিব্ৰুগড় জিলা কাৰ্যনিৰ্বাহক সমিতি উপস্থিত থাকে। অনুষ্ঠানত দক্ষিণ কোৰিয়াৰ হাৰাং মিন হ্যক, দক্ষিণ কোৰিয়াৰ গাচন বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক ড০ ধৰ্মেন্দ্ৰ কুমাৰ যাদৱ, ডিব্ৰুগড় চহৰৰ বহু গণ্যমান্য ব্যক্তিৰ লগতে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদ ডিব্ৰুগড় জিলা আৰু সদৰ সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

# চাইকেলেৰে বিভিন্ন তীৰ্থস্থান পৰিভ্ৰমণ কৰি ঘৰ পালেহি নয়নমনি



**ই-সংবাদ, বেবেজীয়া, ২৯ মাৰ্চঃ** 'চাইকেল চলাওক স্বাস্থ্য গঢ়ক, প্ৰদুষণমুক্ত হওঁক আমাৰ দেশ।' এই বাৰ্তা লৈ এজন যুৱকে চাইকেলেৰে পৰিভ্ৰমণ কৰে দেশৰ বিভিন্ন তীৰ্থস্থান। মহান উদ্দেশ্য আগত লৈ এনে কঠিন সুদীৰ্ঘ যাত্ৰা সম্পাদন কৰে যুৱকজনে। এইদৰে চাইকেল চলাই সুদীৰ্ঘ যাত্ৰা কৰি মহাকুম্ভ মেলাত উপস্থিত হৈ পৰৱৰ্তী পৰ্যায়ত বিভিন্ন তীৰ্থস্থান দৰ্শন কৰি দুমাহৰ অন্তত অৱশেষত শনিবাৰে আহি যুৱকজন উপস্থিত হয়হি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পৱিত্ৰ জন্মভূমি বটদ্ৰৱাত। উদ্যমী এই যুৱকজন হৈছে নগাঁও জিলাৰ জাজৰিৰ বেলতলৰ নিবাসী নয়নমনি নাথ। যুৱকজনে যোৱা ২০ জানুৱাৰীতে জাজৰি বেলতলৰপৰা চাইকেলেৰে যাত্ৰা আৰম্ভ কৰি মহাকুম্ভ মেলা তথা গংগা-যমুনা-সৰস্বতী নদীৰ সংগমস্থলী প্ৰয়াগৰাজত উপস্থিত হৈ পুনৰ অযোধ্যা, বেনাৰস আদি বিভিন্ন তীৰ্থস্থান দৰ্শন কৰি অৱশেষত শনিবাৰে বটদ্ৰৱা থানত এই দীঘলীয়া যাত্ৰাৰ সামৰণি পেলায়। বটদ্ৰৱাত উপস্থিত হৈ যুৱকজনে গংগা-যমুনা-সৰস্বতী নদীৰ সংগমস্থলীৰ পৰা লগত কঢ়িয়াই অনা পৱিত্ৰ জলৰাশি শংকৰদেৱ গুৰুজনাৰ স্মৃতি বিজড়িত বটদ্ৰৱা থানৰ পৱিত্ৰ আকাশী গংগাত অৰ্পণ কৰে। এনেদৰে বহু কষ্টৰে চাইকেল চলাই সুদীৰ্ঘ যাত্ৰা কৰি অৱশেষত বটদ্ৰৱা উপস্থিত হোৱা যুৱকজনক বিভিন্নজনে আদৰণি জনায়।

# দুলীয়াজানত ৰহস্যজনক অৱস্থাত যুৱকৰ মৃতদেহ উদ্ধাৰ


**ই-সংবাদ বিশেষ, দুলীয়াজান, ২৯ মাৰ্চঃ** আজি পুৱাই দুলীয়াজানৰ এন চি গাঁৱৰ এঘৰ লোকৰ বাসগৃহত এটা মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। মৃতদেহটো শিৱসাগৰ জিলাৰ শিমলুগুৰি চন্টক চেংঘৰা গাঁৱৰ ধৰ্ম গগৈৰ পুত্ৰ উদিত গগৈ (২৫) বুলি জানিব পৰা গৈছে। অইল ইণ্ডিয়া ঠিকাদাৰ অধীনত কৰ্মৰত উদিতে এন চি গাঁৱৰ নগেন্দৰ শ্বাহৰ ভাৰাঘৰত আছিল। প্ৰাপ্ত তথ্য অনুসৰি কালি উদিত গগৈ আন তিনিজন বন্ধুৰ সৈতে বাইকেৰে অৰুণাচল প্ৰদেশৰ নামচাইত ফুৰিবলৈ গৈছিল। নিশা তিনিওজন বন্ধুৱে উদিত গগৈক মৃত অৱস্থাত ভাড়াঘৰ থৈ দুলীয়াজান আৰক্ষী থানাত অৱগত কৰে। ইতিমধ্যে দুলীয়াজান আৰক্ষীয়ে মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে ডিব্ৰুগড়লৈ প্ৰেৰণ কৰি ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে। জানিব পৰামতে, শুকুৰবাৰে দুখন বাইকত উদিত গগৈয়ে চৰাইদেউ জিলাৰ মৰাণ গাঁৱৰ পূৰ্ণকান্ত গগৈ, শিৱসাগৰ লাকুৱা চাৰিমুঠি গাঁৱৰ অৰুণজ্যোতি ঠাকুৰ আৰু লাকুৱাৰ বটলমৰা গাঁৱৰ ৰাতুল গগৈ নামৰ তিনিগৰাকী বন্ধুৰ সৈতে অৰুণাচল প্ৰদেশৰ নামচাইলৈ গৈছিল যুৱকজন।

# লোক নিৰ্মাণ বিভাগ হায় হায়, হিমন্ত বিশ্ব মুৰ্দাবাদ ধ্বনিত উত্তাল নলবাৰী

**ই-সংবাদ ব্যুৰ', নলবাৰী, ২৯ মাৰ্চঃ** বৃহত্তৰ দক্ষিণ-পূব নলবাৰী অঞ্চলৰ বালা মুগকুছি গাঁৱৰ পৰা সুতাৰকুছি হৈ দিঘেলী-তন্ত্ৰশংকৰা গাঁৱৰ কেইৰাটাও পথ সামৰি প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত হৈ থকা নিৰ্মাণ কাৰ্যত ব্যাপক অনিয়মৰ সন্দৰ্ভত আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, দক্ষিণ-পূব নলবাৰী আঞ্চলিক সমিতিয়ে ৰাইজৰ সহযোগত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। নলবাৰীৰ ঠিকাদাৰ জিয়াউৰ পাছাই নিৰ্মাণ কৰা পথটোৰ ঠায়ে ঠায়ে ব্লেক টেপিং উঠি যোৱাৰ উপৰি বিভিন্ন ঠাইত ছাইড বাম নোহোৱাত ক্ষুণ্ণ হৈ পৰে যুৱ-ছাত্ৰ পৰিষদৰ দক্ষিণ-পূব নলবাৰী আঞ্চলিক সমিতি। আজি দিনৰ ১২ বজাত দিঘেলীৰ ঐতিহ্যমণ্ডিত শ্ৰী শ্ৰী বিষহৰি থানৰ সমীপত লোক নিৰ্মাণ বিভাগ হায় হায়, দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰক নাকি লগাব নোৱাৰা অসম চৰকাৰ লেই লেই চেই চেই, মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ কাম নাই, হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ আদি ধ্বনিৰে পৰিৱেশ উত্তাল কৰি তোলে সংগঠনটোৱে। সংগঠনটোৰ নলবাৰী জিলা সমিতিৰ প্ৰাক্তন সভাপতি পাৰ্থ প্ৰতীম শৰ্মাৰ নেতৃত্বত হোৱা প্ৰতিবাদী কাৰ্যসূচীত সংগঠনটোৰ নলবাৰী জিলা সমিতিৰ যুটীয়া সম্পাদক জ্ঞানদীপ শৰ্মা, প্ৰচাৰ সম্পাদক অমিত ডেকা, ক্ৰীড়া সম্পাদক জিণ্টু দাস, দক্ষিণ-পূব নলবাৰী আঞ্চলিক সমিতিৰ সভাপতি নিতু ডেকা, ভাঃ সাঃ সম্পাদক লিকুমণি দাসকে ধৰি অৰ্ধ শতাধিক কাৰ্যকৰ্তাই চৰকাৰী যন্ত্ৰৰ প্ৰহসনৰ বিৰুদ্ধে তীব্ৰ বিষোদগাৰ প্ৰকাশ কৰে। অনতি বিলম্বে পথসমূহৰ আঁসোৱাহসমূহ দূৰ নকৰিলে লোক নিৰ্মাণ বিভাগৰ বিৰুদ্ধে গণতান্ত্ৰিক কাৰ্যসূচী গ্ৰহণ কৰিব বুলি সংগঠনটোৱে সকীয়নি দিয়ে।

# প্ৰয়াত দিপ্তীমণি দেৱীৰ ঘৰত যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় নেতৃবৃন্দ

**ই-সংবাদ , নলবাৰী, ২৯ মাৰ্চঃ** অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ভগ্নী সংগঠন জাতীয় মহিলা পৰিষদৰ ৰাজ্যিক সমিতিৰ সাহিত্য সম্পাদিকা দিপ্তীমণি দেৱীৰ যোৱা ২৬ মাৰ্চত অকাল বিয়োগ ঘটে। তেওঁৰ মৃত্যুৰে সমগ্ৰ নলবাৰী জিলাতে শোকৰ ছাঁ পেলায়। ইফালে, আজি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ভগ্নী সংগঠন জাতীয় মহিলা পৰিষদৰ ৰাজ্যিক সমিতিৰ সভানেত্ৰী বিনীতা কুমাৰ, সাধাৰণ সম্পাদিকা মামনী দত্ত চৌধুৰী, বিত্ত সম্পাদিকা প্ৰণালী কলিতা, কাৰ্যনিৰ্বাহক ৰীণা বৰুৱা কলিতা আদিৰ লগতে পৰিষদৰ কেন্দ্ৰীয় শিক্ষা সম্পাদক মৃণাল কুমাৰ বৰ্মন, সাংগঠনিক সম্পাদক নগেন শালৈ কাৰ্যনিৰ্বাহক ব্ৰজেন চৌধুৰী, কেন্দ্ৰীয় নেতা মনোৰম তালুকদাৰৰ উপৰি নলবাৰী জিলা সমিতিৰ সম্পাদক প্ৰাঞ্জল কলিতা, সাংবাদিক প্ৰণৱ জোতি কলিতা আদি কৰি প্ৰায় কুৰিজন লোক উপস্থিত হৈ দিপ্তীমণি দেৱীৰ প্ৰতিচ্ছবিত মাল্যৰ্পণ কৰে। আনহাতে, জাতীয় মহিলা পৰিষদৰ ৰাজ্যিক সমিতিৰ লগতে নলবাৰী জিলা সমিতিয়ে শোকবাৰ্তা প্ৰদান কৰে দিপ্তীমণি দেৱীৰ স্বামী অনংগ ভূষণ শৰ্মাৰ হাতত। আজি দুপৰীয়াৰ ভাগত এক শোকাকুল পৰিৱেশে বিৰাজ কৰে দিপ্তীমণি দেৱীৰ বাসগৃহত। উল্লেখ্য যে আজি যুৱ ছাত্ৰ পৰিষদৰ নলবাৰী জিলা সমিতিয়ে দিপ্তীমণি দেৱীৰ বাসগৃহত উপস্থিত হৈ শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰাৰ লগতে দিপ্তীমণি দেৱীৰ নামত ভৰেন বৰুৱা শিশু নাট প্ৰতিযোগিতাত এটা বঁটা ঘোষণা কৰা হ'ব বুলি আজি পৰিষদৰ নেতৃত্বই জানিবলৈ দিয়ে। আনহাতে, দিপ্তীমণি দেৱীৰ মাহিলী তিথিৰ দিনটোত কেন্দ্ৰীয় নেতৃবৃন্দৰ উপস্থিতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হ'ব বুলিও পৰিয়ালৰ লোকে জনায়।




# সিন্দুৰাইত ছাগলীয়া বন বিভাগৰ জ্ঞাতসাৰে মাটি খনন

**ই-সংবাদ, গোলকগঞ্জ, ২৯ মাৰ্চঃ** ধুবুৰী জিলাৰ ছাগলীয়া বন গাণনিক কাৰ্যালয়ৰ অধীনৰ একাংশ বিষয়াৰ প্ৰত্যক্ষ সহযোগত নিতৌ সিন্দুৰাই প্ৰথম খণ্ড গাঁৱত কৃষি ভূমি খনন চলাৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ মতে, একাংশ ভূ-মাফিয়াই বিভাগীয় কৰ ফাঁকি দি বন বিষয়াৰ লগত গোপন বুজাবুজি কৰি সিন্দুৰাই গাঁৱৰ বিভিন্ন স্থানৰ কৃষি ভূমি খনন কৰি বিভিন্ন ইটা ভাটাত যোগান ধৰি আছে। ইয়াৰ ফলত একাংশ বিষয়াৰ জেপ গৰম হৈছে যদিও ৰাজকোষে নিতৌ হেৰুৱাই আছে বৃহৎ পৰিমাণৰ ধন। কালি ঝাপুচাবাৰীত এনে অবৈধ মাটি কঢ়িওৱা ট্ৰেক্টৰৰ পৰা ভুৱা সাংবাদিকে ধন দাবীক কেন্দ্ৰ কৰি মাৰপিটৰ ঘটনাও সংঘটিত হয়। মাটি কঢ়িওৱা ট্ৰেক্টৰ-ডাম্পাৰে ইতিমধ্যে বহু দুৰ্ঘটনা সংঘটিত কৰিছে যদিও গা লৰা নাই প্ৰশাসনৰ। বিভিন্ন দল-সংগঠনে দাবী জনাই অহা সত্ত্বেও প্ৰশাসনে গুৰুত্ব আৰোপ নকৰাৰো অভিযোগ উত্থাপিত হৈছে। শেহতীয়াকৈ সিন্দুৰাই প্ৰথম খণ্ড গাঁৱৰ ভেৰা চোৰা ডাবৰিত ব্যাপক হাৰত আৰম্ভ হৈছে কৃষি ভূমি খনন। অবৈধভাৱে মাটি খনন কৰি ৰাষ্ট্ৰীয় ঘাইপথেৰে ট্ৰেক্টৰসমূহ দৌৰি আছে যদিও নীৰৱ দৰ্শকৰ ভূমিকা গ্ৰহণ কৰিছে বন বিভাগ, পৰিবহণ বিভাগ আৰু আগমনি আৰক্ষীয়ে। ট্ৰেক্টৰসমূহৰ চালক বা ট্ৰলি অনুজ্ঞাপত্ৰ বিহীনভাৱে চলি আছে যদিও দেখিও নেদেখাৰ ভাও ধৰি আছে আগমনি আৰক্ষী। গাঁওখনত ট্ৰেক্টৰৰ দৌৰাত্ম্যত যমৰ-যাতনা ভুগিছে পথচাৰী। বিদ্যালয়লৈ অহা-যোৱা ছাত্ৰ-ছাত্ৰীসকলৰ কৰাণে বেলগুৰি সিন্দুৰাই পথটো এক প্ৰকাৰ মৰণফান্দত পৰিণত হৈছে।

# গুণোৎসৱত মোৰাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু মোৰাঝাৰ হাইস্কুলৰ শোচনীয় ফলাফল

**ই-সংবাদ, মোৰাঝাৰ, ২৯ মাৰ্চঃ** ২০২৫ বৰ্ষৰ গুণোৎসৱৰ ফলাফল ঘোষণা হৈছে। ইয়াৰ লগে লগে আলোচনা-পৰ্যালোচনা আৰম্ভ হৈছে মোৰাঝাৰৰ শৈক্ষিক জগতখনত। সদ্য ঘোষিত এই গুণোৎসৱৰ ফলাফলত হোজাই জিলাৰ ঐতিহ্যমণ্ডিত মোৰাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ে C গ্ৰেড লাভ কৰিছে। উল্লেখ্যে যে বিদ্যালয়খনৰ অধ্যক্ষ ফখৰ উদ্দিন চৌধুৰীৰ নেতৃত্বত এই শোচনীয় ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। এনে শৈক্ষিক পৰিৱেশক লৈ মোৰাঝাৰৰ শৈক্ষিক মহল উদ্বিগ্ন হৈ পৰিছে। আচলতে কোন ফালে গতি কৰিছে ঐতিহ্যমণ্ডিত এই বিদ্যালয়খনে। ইয়াৰ উপৰি মোৰাঝাৰ হাইস্কুলে (ছিনিয়ৰ মাদ্ৰাছা) গুণোৎসৱত C গ্ৰেড লাভ কৰিছে। উল্লেখ্য যে মোৰাঝাৰ ক্লাষ্টাৰত মুঠ ১২ খন বিদ্যালয়ৰ ভিতৰতে এখনো বিদ্যালয়ে A+ গ্ৰেড লাভ কৰা নাই। ইয়াৰ বিপৰীতে ৮ খন বিদ্যালয়ে A গ্ৰেড, দুখন বিদ্যালয়ে B গ্ৰেড আৰু দুখন বিদ্যালয়ে C গ্ৰেড লাভ কৰিবলৈ সক্ষম হৈছে। ইফালে, উত্তৰ চাবাজপুৰ এল পি স্কুলে A গ্ৰেড কেনেকৈ লাভ কৰিলে তাক লৈয়ো ৰহস্যৰ সৃষ্টি হৈছে। কি অদ্ভুদ শক্তিৰে মহীয়ান বিদ্যালয়খনৰ শিক্ষক য'ত অতি নিম্নমানৰ শৈক্ষিক পৰিৱেশ আৰু ছাত্ৰ -ছাত্ৰীৰ উপস্থিতি সেৰেঙা থকা সত্ত্বেও A গ্ৰেড পাবলৈ সক্ষম হৈছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# নালিয়াৰ চুৰিকাণ্ডত জড়িত চোৰক আটক

**ই-সংবাদ, গোলকগঞ্জ, ২৯ মাৰ্চঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত ভাৰত-বাংলাদেশ সীমান্তৰ নালিয়া বজাৰত বুধবাৰে পুৱতি নিশা ব্যৱসায়িক প্ৰতিষ্ঠানৰ চুৰিকাণ্ডৰ ঘটনাত বোৰ্কা পৰিহিত গভাইত চোৰটোক যোৱা নিশা আৰক্ষীয়ে আটক কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, বুধবাৰ পুৱতি নিশা তিনি বজাত বজাৰ খনৰ মাধৱী ৰায় আৰু ফৰিদুল ইছলামৰ ব্যৱসায়িক প্ৰতিষ্ঠানত চোৰে চুৰিকাণ্ড সংঘটিত কৰে। দুখন দোকানৰ পৰা লক্ষাধিক নগদ ধনৰ লগতে চিগাৰেট, গুটকা, প্ৰসাধন সামগ্ৰী আদি চুৰি কৰে। কিন্তু দৈৱক্ৰমে মাধৱী ৰায়ৰ দোকানত থকা চিচিটিভিৰ কেমেৰাত সমগ্ৰ চুৰিকাণ্ডৰ ঘটনা আবদ্ধ হয়। এই সন্দৰ্ভত ভুক্তভোগীয়ে নালিয়া আৰক্ষী নিৰীক্ষণ চকীত এজাহাৰ দাখিল কৰে। গোলকগঞ্জ থানাত গোচৰ ৰুজু কৰি ভাৰপ্ৰাপ্ত বিষয়া দেৱজিত কলিতাই চিচিটিভিৰ কেমেৰাৰ ফুটেজৰ ভিত্তিত অভিযান চলাই পিছদিনা নিশা কেদাৰ তৃতীয় খণ্ড গাঁৱৰ আউৱাল মজিদৰ পুত্ৰ এশ্ৰাফুল হক(২৪), ইউনুছ আলীৰ পুত্ৰ ইয়াকুব আলী(২১), নালিয়া প্ৰথম খণ্ড গাঁৱৰ প্ৰয়াত দেলদাৰ সেখৰ পুত্ৰ হাসেন আলী(৪৮) আৰু ছামান আলীৰ পুত্ৰ সহিদুল আলী(১৯)ক গ্ৰেপ্তাৰ কৰে। পঞ্চম জন চোৰক চিনাক্ত কৰাত কিছু সময়ৰ প্ৰয়োজন হয়। কাৰণ চোৰটোৱে বোৰ্কা পিন্ধি চুৰি কাৰ্য সংঘটিত কৰিছিল। ঘটনা সংঘটিত কৰি চোৰটোৱে পলায়ন কৰে। অৱশেষত যোৱা নিশা নালিয়া আৰক্ষী অভিযান বোৰ্কা পিন্ধা চোৰটোক আটক কৰে। আটকাধীন চোৰটো কেদাৰ তৃতীয় খণ্ড গাঁৱৰ গফুৰ আলীৰ পুত্ৰ শ্বাহ আলম। শ্বাহ আলম দীৰ্ঘদিনৰ পৰা সীমান্ত অঞ্চলটোত চুৰিকাৰ্য সংঘটিত কৰি সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছিল।

# পুৰণিগুদামত আত্মহত্যা ছাত্ৰীৰ

**ই-সংবাদ, পুৰণিগুদাম, ২৯ মাৰ্চঃ** নগাঁও জিলাৰ পুৰণিগুদাম আৰক্ষী চকীৰ অধীনৰ হালোৱাগাঁও বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ এগৰাকী ছাত্ৰীয়ে পৰীক্ষাৰ ফলাফল বেয়া হোৱাৰ বাবেই নিজ গৃহতে আত্মহত্যা কৰে। হালোৱাগাঁও পুতনি গাঁৱৰ ছাত্ৰীগৰাকীয়ে আত্মহত্যা কৰাৰ বাবে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু স্থানীয় ৰাইজৰ মাজত কিছু উত্তপ্ত পৰিস্থিতি সৃষ্টি হয় যদিও ছাত্ৰীগৰাকীৰ পৰীক্ষাৰ বহী নিৰীক্ষণ কৰাৰ পিছতহে পৰিস্থিতি শাম কাটে। পাছত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু স্থানীয় ৰাইজৰ উপস্থিতিত ছাত্ৰীগৰাকীৰ জানাজা সম্পন্ন কৰা হয়।ছাত্ৰী গৰাকী পুতনি গাঁৱৰ পাৰবিন চুলতানা বুলি জানিব পৰা গৈছে।

# অসম জাতীয়তাবাদী যুঃ ছাঃ পৰিষদৰ মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ

**ই-সংবাদ, নলবাৰী, ২৯ মাৰ্চঃ** আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নলবাৰী জিলা সমিতিয়ে নলবাৰী জিলা আয়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মালৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। স্মাৰক পত্ৰত নলবাৰী জিলাৰ ব্যক্তিগত খণ্ডৰ চৰকাৰী চিকিৎসালয়সমূহত জৰুৰীকালীন চিকিৎসা সেৱা-সুবিধা, বিশেষকৈ ICU আৰু ভেণ্টেলেটৰ ব্যৱস্থা স্থাপন কৰাৰ দাবী জনায়। সংগঠনটোৱে উল্লেখ কৰিছে যে নলবাৰীত জৰুৰী চিকিৎসা সেৱাৰ অভাৱত ৰোগীসকলে সময়মতে পৰ্যাপ্ত চিকিৎসা লাভ কৰিব নোৱাৰাত যমৰ-যাতনা ভুগিবলগীয়া হোৱাৰ উপৰি ICU আৰু ভেণ্টিলেটৰৰ সুবিধা নথকাৰ বাবে বহু ক্ষেত্ৰত ৰোগীৰ জীৱন সংকটজনক পৰিস্থিতিত পৰাটো ডিজিটেল যুগৰ দুৰ্ভাগ্যৰ বিষয় হিচাপে চিহ্নিত হৈছে। যুৱ-ছাত্ৰ পৰিষদৰ মতে, নলবাৰী তথা সংলগ্ন অঞ্চলসমূহৰ জনসাধাৰণৰ স্বাস্থ্য সুৰক্ষাৰ বাবে উন্নত চিকিৎসা সুবিধা অতি প্ৰয়োজনীয়। তদুপৰি সংগঠনটোৱে স্বাস্থ্য সেৱা উন্নয়নক মুখ্য অগ্ৰাধিকাৰ হিচাপে লৈ মুখ্যমন্ত্ৰীৰ প্ৰতি আবেদন জনাইছে। স্মাৰক পত্ৰত সংগঠনটোৱে নলবাৰীৰ ব্যক্তিগত খণ্ডৰ চিকিৎসালয়সমূহত আধুনিক চিকিৎসা সা-সঁজুলিৰে ICU আৰু ভেণ্টিলেটৰ সন্মিলিত চিকিৎসা সেৱা সুনিশ্চিত কৰাৰ দাবী জনায়। উল্লেখ্য যে স্মাৰক পত্ৰৰ প্ৰতিলিপি অসম চৰকাৰৰ স্বাস্থ্য মন্ত্ৰী, নলবাৰীৰ ব্যক্তিগত খণ্ডৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে। সংগঠনটোৱে আশা প্ৰকাশ কৰিছে যে মুখ্যমন্ত্ৰীয়ে এই দাবী বিবেচনা কৰি অতি সোনকালে উচিত ব্যৱস্থা গ্ৰহণ কৰিব।

# বৰ্ণাঢ্য কাৰ্যসূচীৰে ৫৫ সংখ্যক সদৌ বংশৰ ৰঙালী বিহু সন্মিলন

**ই-সংবাদ, শুৱালকুছি, ২৯ মাৰ্চঃ** কামৰূপ জিলাৰ বৃহত্তৰ বংশৰ অঞ্চলৰ দুখনকৈ গাঁও পঞ্চায়ত ৮৭ নং বংশৰ গাঁও পঞ্চায়ত আৰু ১১৪ নং গন্ধমৌ গাঁও পঞ্চায়তৰ মাজৰ ঐক্য আৰু সম্প্ৰীতিৰ প্ৰতীক সদৌ বংশৰ ৰঙালী বিহু সন্মিলনৰ এইবেলি ৫৫ সংখ্যক ৰঙালী বিহু সন্মিলন অহা এক ব'হাগত ৫৫ খন পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰা হ'ব। ১ ব'হাগ, ১৫ এপ্ৰিলৰ পুৱা ৮.০০ বজাত বংশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিহুতলীত ঐক্য, সম্প্ৰীতি আৰু সংহতিৰ প্ৰতীক মূল পতাকা সদৌ বংশৰ ৰঙালী বিহু সন্মিলনৰ সভাপতি ৰমেন ভৰালীয়ে উত্তোলনৰ লগতে বৃহত্তৰ সদৌ বংশৰ অঞ্চলৰ ৫৪ গৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা পতাকা উত্তোলন কৰা হ'ব। পতাকা উত্তোলনৰ পিছতে কণ্ঠশিল্পী কৰিশ্মা দাসৰ পৰিচালনাৰে স্বৰ-সাধনা সংগীত বিদ্যালয়, বংশৰৰ শিল্পীসকলৰ দ্বাৰা সমবেত সংগীত পৰিৱেশন কৰা হ'ব। পুৱা ৮.৩০ বজাত স্মৃতি তৰ্পণ, বন্তি প্ৰজ্বলন আৰু গছপুলি ৰোপণ কাৰ্যসূচী। ৯.৩০ বজাত উদয়নীল জাগৃতি বিহুৱা দল, সৰুল্লাহৰ দ্বাৰা বিহু পৰিৱেশন, ১০ বজাত হাৰ্বিমুআফাত খেৰাই দল, গন্ধমৌৰ খেৰাই নৃত্য পৰিৱেশন আৰু বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হ'ব বুলি সদৌ বংশৰ ৰঙালী বিহু সন্মিলনৰ সভাপতি ৰমেন ভৰালী, সম্পাদকদ্বয় অশোক নাথ আৰু ৰাতুল কলিতাই জনাইছে। আনহাতে, ১৯ এপ্ৰিল, ৫ ব'হাগত পুৱা ৫ বজাত সদৌ বংশৰ ৰঙালী বিহু সন্মিলনৰ উদ্যোগত বিহু উপলক্ষে সদৌ অসম ভিত্তিত মাৰাথান দৌৰ প্ৰতিযোগিতা(পুৰুষ) আমিনগাঁৱৰ পৰা বংশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিহুতলীলৈ অনুষ্ঠিত হ'ব। বিশিষ্ট সমাজকৰ্মী তথা সাংস্কৃতিক কৰ্মী মনোৱাৰ হুছেইনে উদ্বোধন কৰিবলগীয়া মাৰাথান দৌৰ প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ প্ৰয়াত মজিবুদ্দিন আহমেদ সোঁৱৰণী বঁটাৰ লগতে ৭০০১ টকা, দ্বিতীয় পুৰস্কাৰ প্ৰয়াত হেমেন চন্দ্ৰ নাথ আৰু প্ৰয়াত হেমপ্ৰভা নাথ সোঁৱৰণী বঁটাৰ লগতে ৫০০১ টকা, তৃতীয় পুৰস্কাৰ প্ৰয়াত ৰবীন মালাকৰ সোঁৱৰণী বঁটাৰ লগতে ৩০০১ টকা, চতুৰ্থ পুৰস্কাৰ বিদুৰ দাস সোঁৱৰণী বঁটাৰ লগতে ২০০১ টকা, পঞ্চম পুৰস্কাৰ প্ৰয়াত চন্দ্ৰকান্ত বৈশ্য আৰু প্ৰয়াত গংগাবালা বৈশ্য সোঁৱৰণী বঁটাৰ লগতে ১৫০১ টকা। আনহাতে, পুৱা ৫.৩০ বজাত নিজ গন্ধমৌ চ'কৰ পৰা বিহুতলীলৈ মহিলা মাৰাথান দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। মহিলা মাৰাথান দৌৰ প্ৰতিযোগিতা উদ্বোধন কৰিব অসম চৰকাৰৰ সমবায় বিভাগৰ সহঃ পঞ্জীয়ক আব্দুল লতিফে। মহিলা মাৰাথান দৌৰ প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ প্ৰয়াত সম্ভুৰাম দাস আৰু প্ৰয়াত আইতৰা দাস সোঁৱৰণী বঁটাৰ লগতে ৩০০১ টকা, দ্বিতীয় পুৰস্কাৰ প্ৰয়াত প্ৰণৱ ভক্ত সোঁৱৰণী বঁটাৰ লগতে ২০০১ টকা, তৃতীয় পুৰস্কাৰ প্ৰয়াত তুলসী বৈশ্য সোঁৱৰণী বঁটাৰ লগতে ১০০১ টকা। পুৱা ৮.৩০ বজাত বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা বংশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হ'ব। খেল-ধেমালি প্ৰতিযোগিতা উদ্বোধন কৰিব সদৌ বংশৰ ৰঙালী বিহু সন্মিলনৰ প্ৰাক্তন সভাপতি বিশ্বমোহন গোস্বামীয়ে, পুৱা ১০ বজাত বংশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সাহিত্য প্ৰতিযোগিতা উদ্বোধন কৰিব ৰাজ্যিক কৃতী শিক্ষকৰ বঁটা প্ৰাপক, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ভগৱান বৈশ্যই। বিয়লি ৪ বজাত মুকলি কুইজ প্ৰতিযোগিতা উদ্বোধন কৰিব কটন বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক ড০ কমলকৃষ্ণ ৰাজবংশীয়ে। সন্ধিয়া ৬.৩০ বজাত সদৌ বংশৰ ৰঙালী বিহু সন্মিলনৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰয়াত ইদ্ৰিছ আলী সোঁৱৰণী সাংস্কৃতিক মঞ্চত বন্তি প্ৰজ্বলন কৰিব সদৌ বংশৰ ৰঙালী বিহু সন্মিলনৰ প্ৰাক্তন সভাপতি তথা যুৱনেতা ছাইদুল ইছলামে। সন্ধিয়া ৬.৪৫ বজাত সাংস্কৃতিক মঞ্চ উদ্বোধন কৰিব অসম চৰকাৰৰ মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে।

# গেলেকী ন-পুখুৰী শাখা সাহিত্য সভাৰ উদ্যোগত সাহিত্য দিৱস উদযাপন

**ই-সংবাদ, গেলেকী, ২৯ মাৰ্চঃ** শিৱসাগৰ জিলা সাহিত্য সভাৰ অন্তৰ্গত গেলেকী ন-পুখুৰী শাখা সাহিত্য সভাই ৰসৰাজ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ স্মৃতি দিৱস 'সাহিত্য দিৱস' উদযাপন কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি অমৰ জ্যোতি প্ৰাথমিক বিদ্যালয়ত এখনি সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে ন-পুখুৰী শাখা সাহিত্য সভাৰ সভাপতি দিলীপ মহন্তই। শাখাৰ সম্পাদক শিক্ষয়িত্ৰী দিপালী ৰাধিকা দুৱৰাই আঁত ধৰা অনুষ্ঠানত নাহৰগুৰি মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰিয়ৰাম শইকীয়াই বন্তি প্ৰজ্বলনেৰে অনুষ্ঠান শুভাৰম্ভ কৰে আৰু সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱে অসমীয়া ভাষাটোৰ প্ৰতি যি অৱদান আগবঢ়াই থৈ গৈছে সেই বিষয়ে বক্তব্য আগবঢ়ায়।অমৰ জ্যোতি প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু বিদ্যালয়খনৰ প্ৰধান শিক্ষক অমৰ শৰ্মা আৰু চৰাইসজীয়া মধ্য ইংৰাজী বিদ্যালয়ৰ সহঃ শিক্ষক অমৰ শৰ্মা, শাখাৰ বিষয়ববীয়া দীপক ৰায়, জয়ন্ত ৰায়কে ধৰি বহুকেইগৰাকী গাঁৱৰ গণ্য মান্য ব্যক্তি অনুষ্ঠানত উপস্থিত থাকে। শেষত অসম সংগীতেৰে অনুষ্ঠানটিৰ সফল সামৰণি পৰে।

# নামতিত অৰুণোদয় আঁচনিৰ পৰা নাম কৰ্তন কৰাক লৈ মহিলাৰ ক্ষোভ

**ই-সংবাদ, গেলেকী, ২৯ মাৰ্চঃ** অৰুণোদয় আঁচনিক লৈ ব্যাপক প্ৰতিক্ৰিয়া সৃষ্টি হৈছে অসমৰ বিভিন্ন প্ৰান্তত। এইবাৰ অৰুণোদয় আঁচনিৰ পৰা নাম কৰ্তন কৰাক লৈ নামতি আলি গাঁও পঞ্চায়তৰ একাংশ মহিলাৰ ক্ষোভ দেখিবলৈ পোৱা গৈছে। মুখ্যমন্ত্ৰীয়ে গৌৰৱ কৰা অৰুণোদয় ৩.০ ত ব্যাপক অনিয়ম ঘটাৰ অভিযোগ উত্থাপিত হৈছে নামতি আলি গাঁও পঞ্চায়তত। একাংশ যোগ্য হিতাধিকাৰীৰ নাম কৰ্তন কৰাক লৈ ক্ষোভিত হৈ পৰে পঞ্চায়তখনৰ কেইবাটাও ৱাৰ্ডৰ মহিলা। মহিলাসকলে অভিযোগ কৰা মতে, বাছনি সমিতিয়ে একাংশ দৰিদ্ৰ আৰু যোগ্য মহিলাৰ নাম কৰ্তন কৰিছে। কিন্তু এতিয়াও বহু ধনী আৰু ৰাজনৈতিক দলৰ অযোগ্য শুভাকাংক্ষীয়ে লাভ কৰি আছে অৰুণোদয় আঁচনিৰ ধন। সেয়ে মুখ্যমন্ত্ৰীক নামতি আলি গাঁও পঞ্চায়তৰ অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰ তদন্ত কৰি প্ৰকৃত যোগ্য মহিলাক নিৰ্বাচন কৰিবলৈ আহ্বান জনাইছে, অন্যথা আঁচনিখন বন্ধ কৰি দিবলৈ দাবী জনাইছে মহিলাসকলে।

# চেঙাৰ বাঘমাৰা চৰত সমূহীয়া ইফটাৰৰ আয়োজন

**ই-সংবাদ, শিমলীতোলা, ২৯ মাৰ্চঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত বাঘমাৰা চৰ বজাৰস্থিত বাঘমাৰা চৰ ঈদগাহ প্ৰাংগণত চেঙা ব্লক কংগ্ৰেছৰ উদ্যোগত আৰু বাঘমাৰা চৰ মণ্ডল কংগ্ৰেছৰ সহযোগত তথা প্ৰদেশ কংগ্ৰেছৰ সম্পাদক আৰু মুখপাত্ৰ তথা চেঙা বিধানসভা সমষ্টিৰ প্ৰাৰ্থিত্ব প্ৰত্যাশী অধিবক্তা ৰফিকুল ইছলামৰ তত্বাৱধানত সমূহীয়া ইফটাৰ মেহফিলৰ আয়োজন কৰে। ইফটাৰ পাৰ্টিৰ প্ৰাক মুহূৰ্তত বিশ্ব শান্তি ৰক্ষাৰ বাবে সমূহীয়া মোনাজাত কৰা হয়। ইফটাৰ পাৰ্টিৰ শেষত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ আইটি চেলৰ চেয়াৰমেন ৰাতুল কলিতাই সাংবাদিকৰ আগত কয় যে আজি চেঙা সমষ্টিৰ বাঘমাৰাচৰত পৱিত্ৰ ইফটাৰ পাৰ্টিৰ জৰিয়তে চৰাঞ্চলৰ প্ৰতিজন নেতা-কৰ্মীৰ লগত একলগ হৈ মত বিনিময় কৰিবলৈ পাই ভাল লাগিছে। সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰৰ সম্পৰ্কে প্ৰশ্ন কৰাত তেওঁ কয় যে আক্ৰোশমূলক স্থিতি লৈছে মুখ্যমন্ত্ৰীয়ে, হিমন্ত বিশ্ব শৰ্মা এজন চূড়ান্ত ভণ্ড ব্যক্তি। সাংবাদিক কোন এতিয়া মুখ্যমন্ত্ৰীয়ে সিদ্ধান্ত ল'ব নেকি বুলি কোৱাৰ লগতে মুখ্যমন্ত্ৰী তথা তেওঁৰ পৰিয়ালে ব্যৱসায় কৰিব পাৰে, কিন্তু সাংবাদিক এজনে ব্যৱসায় কৰিব নোৱাৰে নেকি বুলি প্ৰশ্ন কৰে। সমূহীয়া ইফটাৰ মেহফিলত উপস্থিত থাকে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ আইটি চেলৰ চেয়াৰমেন ৰাতুল কলিতা, ৰিলিফ এণ্ড ৰিহেবিটেচন ডিপাৰ্টমেণ্ট, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ চেয়াৰমেন প্ৰাণজিৎ দাস, অসম প্ৰদেশ কংগ্ৰেছৰ সম্পাদক তথা মুখপাত্ৰ অধিবক্তা ৰফিকুল ইছলাম, চেঙা ব্লক কংগ্ৰেছৰ সভাপতি আবুশামা আহমেদ, চেঙা ব্লক মহিলা কংগ্ৰেছ কমিটীৰ নৱ নিযুক্ত সভানেত্ৰী আকলিমা খাতুন, বাঘমাৰা চৰ মণ্ডল কংগ্ৰেছৰ সভাপতি জিন্না ৰেজ্জাকুল আলম, সম্পাদক জাকিৰ হুছেইন, বৰপেটা জিলা মহিলা কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদিকা জবেদা খাতুন, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সংখ্যালঘু বিভাগৰ সম্পাদক মিৰ্জা ওচমান গনিৰ লগতে বহু সংখ্যক দলীয় নেতা-কৰ্মী।

# শিশু বিজ্ঞান সমাৰোহত হাজৰিকাপাৰাৰ হিমাক্ষী ডেকাৰ স্থান লাভ

**ই-সংবাদ, ছিপাঝাৰ, ২৯ মাৰ্চঃ** সমগ্ৰ শিক্ষা অসমৰ পৃষ্ঠপোষকতাত অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদে গুৱাহাটীৰ শিল্পগ্ৰামত যোৱা ২৫, ২৬ আৰু ২৭ মাৰ্চত তিনিদিনীয়াকৈ অনুষ্ঠিত কৰা বিজ্ঞান অনুসন্ধানৰ ৰাজ্যিক পৰ্যায়ৰ শিশু বিজ্ঞান সমাৰোহখনিত ৩৩ খন জিলাৰ মুঠ ১৯৭ টা প্ৰকল্পৰ মাজৰ পৰা নিৰ্বাচন কৰা ২০ টা প্ৰকল্পৰ ভিতৰত দৰং জিলাৰ হাজৰিকাপাৰাৰ নেহৰু স্মৃতি বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰী হিমাক্ষী ডেকাই স্থান লাভ কৰিবলৈ সক্ষম হয়। মনিষা হাজৰিকাৰ সহযোগত থলুৱাভাৱে প্ৰস্তুত কৰা চুৰা (গুৰ) আৰু ইয়াৰ উপকাৰিতা সম্পৰ্কে সজাগতা শীৰ্ষক প্ৰকল্পত স্থান লাভ কৰা প্ৰকল্পটোৰ তত্বাৱধায়ক আছিল নেহৰু স্মৃতি বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী চিত্ৰলেখা ডেকা। এই সাফল্যত বিদ্যালয়খনৰ প্ৰধান শিক্ষক বিপুল কলিতাৰ উপৰি শিশু বিজ্ঞান সমাৰোহ, জিলা সমন্বয়ক কংকন শৰ্মা প্ৰমুখ্যে বিদ্যালয়ৰ গুৰু, বিষয়ববীয়া আৰু অভিভাৱকসকল উৎফুল্লিত হৈ পৰে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

## বৰপেটাৰোডত আৰক্ষীৰ অভিযানত বৃহৎ পৰিমাণৰ গাঞ্জাসহ এজন সৰবৰাহকাৰীক আটক

**ই-সংবাদ, বৰপেটাৰোড, ২৯ মাৰ্চঃ** আজি বৰপেটাৰোড আৰক্ষীৰ অভিযানত বৃহৎ পৰিমাণৰ গাঞ্জাসহ এজন সৰবৰাহকাৰীক আটক হয়। ধৃত সৰবৰাহকাৰীটোৰ পৰা ৫ কিলো গাঞ্জা জব্দ কৰিবলৈ সক্ষম হয় বৰপেটাৰোড আৰক্ষী। ধৃত সৰবৰাহকাৰীটো মাজবাদৰ গালৰ বসুমতাৰীৰ পুত্ৰ অৰিজিৎ বসুমতাৰী(৩২) বুলি জানিব পৰা গৈছে। ধৃত ব্যক্তিজন ভুটানৰ পৰা বৃহৎ পৰিমাণৰ গাঞ্জা বৰপেটাৰোডলৈ লৈ অনাৰ সময়তেই বৰপেটাৰোড আৰক্ষীয়ে বৰপেটাৰোডৰ শিমলাগুৰি ফ্লাইঅভাৰৰ তলৰ পৰা গাঞ্জাসহ আটক কৰে। বৰপেটাৰোড আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া শ্যামল জ্যোতি শইকীয়াৰ নেতৃত্বত এটা আৰক্ষী দলে গোপন সূত্ৰৰ ভিত্তিত অভিযান চলাই বৰপেটাৰোডত বৃহৎ পৰিমাণৰ গাঞ্জাসহ সৰবৰাহকাৰীটোক আটক কৰিবলৈ সক্ষম হয়। ইতিমধ্যে বৰপেটাৰোড আৰক্ষীয়ে ধৃত অৰিজিৎ বসুমতাৰীক গ্ৰেপ্তাৰ কৰি তদন্ত অব্যাহত ৰাখিছে।

## ডিপ্তা সুৰাদী মাহখৰীয়া আঞ্চলিক ঈদগাহ ময়দানত সমূহীয়া ইফতাৰৰ আয়োজন

**ই-সংবাদ, বৰমা, ২৯ মাৰ্চঃ** চলি আছে ইছলাম ধৰ্মী লোকসকলৰ পবিত্ৰ ৰমজান মাহ। ইফালে, ৩১ মাৰ্চ সোমবাৰে সমগ্ৰ ৰাজ্যজুৰি পালন কৰা হ'ব ঈদ উল ফিটৰ। নলবাৰী জিলাৰ টিহু বিধানসভা সমষ্টিৰ ডিপ্তা সুৰাদী মাহখৰীয়া আঞ্চলিক ঈদগাহ ময়দানত আজি অনুষ্ঠিত কৰা হয় সমূহীয়া ইফটাৰ। বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকে অংশ লয় উক্ত ইফটাৰত। ঈদৰ বাবে ৰাজ্যৰ বজাৰসমূহত ভিৰ পৰিলক্ষিত হৈছে। সম্পূৰ্ণকৈ সজাই তোলা হৈছে মছজিদ ঈদগাহ ময়দানসমূহ। ব্যতিক্ৰম নহয় ডিপ্তা সুৰাদী মাহখৰীয়া আঞ্চলিক ঈদগাহ ময়দান। অপেক্ষা মাত্ৰ ৩১ মাৰ্চ, সোমবাৰলৈ, পুৱা ৯.৪৫ বজাত আদায় কৰা হ'ব সমূহীয়া নামাজ। আজি সমূহীয়া ইফটাৰত উপস্থিত থাকে বৰমা বৰজাৰৰ সমাজ জীৱনৰ লগত জড়িত বিশিষ্ট ব্যক্তিৰ লগতে ডিপ্তা সুৰাদী মাহখৰীয়া অঞ্চলৰ লোক।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# শিক্ষক, সমাজকৰ্মী সতীশ বৰ্মনৰ লক্ষ্ণৌৰ এয়াৰপোৰ্টত আকস্মিক মৃত্যু

**ই-সংবাদ, চামতা, ২৯ মাৰ্চঃ** পশ্চিম নলবাৰীৰ চামতা জামৰতল নিৱাসী, অৱসৰপ্ৰাপ্ত শিক্ষক, সৰ্বৱহী সমাজকৰ্মী সতীশ বৰ্মন(৬৪)ৰ আজি পুৱাৰ ভাগত লক্ষ্ণৌ বিমানবন্দৰত আকস্মিকভাৱে মৃত্যু ঘটাত বৃহত্তৰ চামতা অঞ্চলত শোকৰ ছাঁ পৰে। বৰ্মন তেওঁৰ সহধৰ্মিনী অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী কাঞ্চন তালুকদাৰৰ লগত কিছুদিন পূৰ্বে ডাঙৰ জী-জোঁৱাইৰ ঘৰলৈ গৈছিল। অজি পুৱা বৰ্মন তেওঁৰ হৃদৰোগৰ চিকিৎসা কৰিবলৈ দিল্লীৰ গংগাৰাম হাস্পতাললৈ লৈ যোৱাৰ বাবে পত্নী আৰু কন্যা নিতুস্মিতাৰ লগত লক্ষ্ণৌ বিমানবন্দৰত উপস্থিত হয়। নিয়তিৰ কি পৰিহাস! বিমানবন্দৰতেশিক্ষক, সমাজকৰ্মী বৰ্মনৰ হৃদৰোগত আক্ৰান্ত হৈ আকস্মিকভাৱে মৃত্যুক সাবটি লয়। চামতাৰ পশ্চিম নলবাৰী ৰঙালী বিহু সন্মিলনৰ স্থায়ী সদস্য, চামতা আঞ্চলিক ক্ৰীড়া সংঘ, চামতাৰ ৰূপকোঁৱৰ কলা পৰিষদ, জামৰতল পাঠকপাৰা নামঘৰ সমিতি, পশ্চিম নলবাৰী আঞ্চলিক কৰ্মচাৰী পৰিষদ, পশ্চিম নলবাৰী প্ৰাথমিক শিক্ষক সন্মিলনী, পশ্চিম নলবাৰী প্ৰেছ ক্লাব, চামতা আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল বৰ্মন। বৰ্মনৰ আকস্মিক বিয়োগত তেওঁ জড়িত থকা সকলো অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত বৰ্মনে পত্নী, দুই জীয়ৰীক ইহ সংসাৰত এৰি থৈ যায়।

# ডুমডুমা এফ আৰ ইউত এম্বুলেন্স প্ৰদান মন্ত্ৰী ৰূপেশ গোৱালাৰ

**ই-সংবাদ , তিনিচুকীয়া, ২৯ মাৰ্চঃ** চাহ নগৰী ডুমডুমাৰ ৰ'টাৰী পথস্থিত ৩০ খন বিছনাযুক্ত ডুমডুমা এফ আৰ ইউ (হাস্পাতাল)ত ৰোগীসকলৰ বাবে সুখবৰ কঢ়িয়াই আনিছে ৮২ নং ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ বিভাগ (কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা)ৰ মন্ত্ৰী ৰূপেশ গোৱালাই। মন্ত্ৰীগৰাকীয়ে আজি বিধায়কৰ স্থানীয় এলেকা উন্নয়ন পুঁজি (২০২৩-২৪, আঁচনিঃ এম্বুলেন্স ফৰ এফ আৰ ইউ ডুমডুমা) ৰ ৭,৫০,০০০.০০ টকাৰে ডুমডুমা এফ আৰ ইউ (হাস্পাতাল)ত এখন এম্বুলেন্স প্ৰদান কৰে। মন্ত্ৰীগৰাকীয়ে আজি পুৱা ১০.৩০ বজাত এফ আৰ ইউখনত উপস্থিত হৈ এম্বুলেন্সখন ৰোগীসকলৰ মুকলি কৰে। মন্ত্ৰীগৰাকীয়ে এম্বুলেন্সখন ৰোগীসকলৰ বাবে মুকলি কৰি কয় যে ডুমডুমা এফ আৰ ইউ(হাস্পাতাল)ৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে তেওঁ কাম কৰি যাব। মন্ত্ৰীগৰাকীয়ে লগতে ডুমডুমাত শীঘ্ৰে এখন ব্লক পি এছ চি হাস্পাতাল নিৰ্মাণ হ'ব বুলিও কয়। অনুষ্ঠানত এফ আৰ ইউখনৰ চিকিৎসক গোট, পৰিচালনা সমিতিৰ সদস্য গোট, স্বাস্থ্যকৰ্মী, স্বাস্থ্য কৰ্মচাৰী, ডুমডুমা পৌৰসভাৰ পৌৰপতি কান্তা ভট্টাচাৰ্য, উপ-পৌৰপতি মণি দত্ত, পৌৰসভাৰ কেইবাগৰাকীও পাৰিষদ, হাস্পাতালখনৰ ভাৰপ্ৰাপ্ত চিকিৎসা বিষয়া ডাঃ আচমা গজনবী, বিশিষ্ট সমাজকৰ্মী অৰ্জুন বৰুৱাকে প্ৰমুখ্যে কৰি কেইবাগৰাকী গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। উল্লেখ যে, কিছুদিন পূৰ্বে অইল ইণ্ডিয়া লিমিটেডেও অইলৰ কৰ্প'ৰেট সামাজিক দায়বদ্ধতা আঁচনি (চি এছ আৰ)ৰ অধীনত ডুমডুমা এফ আৰ ইউ(হাস্পাতাল)ক এখন এম্বুলেন্স প্ৰদান কৰিছিল।

# গোলাঘাট সাংবাদিক সংস্থাৰ ৬০ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন

**ই-সংবাদ, গোলাঘাট, ২৯ মাৰ্চঃ** আজি গোলাঘাট জিলা সাংবাদিক সংস্থাৰ ৬০ সংখ্যক প্ৰতিষ্ঠা দিৱস গোলাঘাট এমেচাৰ থিয়েটাৰ ছ'চাইটিৰ প্ৰেক্ষাগৃহত উদযাপন কৰা হয়। গোলাঘাটৰ সমাজ জীৱনৰ সৈতে জড়িত ৬০ গৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা ৬০ খন পতাকা উত্তোলনেৰে আৰম্ভ হোৱা অনুষ্ঠানত জিলাখনৰ ১৫ গৰাকী জ্যেষ্ঠ সাংবাদিকক 'বিশেষ সম্বৰ্ধনা' জ্ঞাপন কৰা হয়। ৰাজ্যৰ দুগৰাকী বিশিষ্ট সাংবাদিকক বাছনি ভিত্তিত আৰু তিনিগৰাকী সাংবাদিকক আবেদন আৰু নিৰ্বাচনৰ ভিত্তিত সাংবাদিকতা বঁটা প্ৰদান কৰা হয়। সেইমৰ্মে কেশৱ শইকীয়া সোঁৱৰণী সাংবাদিকতা বঁটা প্ৰাগ নিউজৰ মুখ্য সম্পাদক প্ৰশান্ত ৰাজগুৰুক, ভগৱতী প্ৰসাদ লড়িয়া সোঁৱৰণী ক্ৰীড়া সাংবাদিকতা বঁটা জ্যেষ্ঠ ক্ৰীড়া সাংবাদিক গোলাঘাট ৰূপক দত্তক, অযোধ্যা প্ৰসাদ গোস্বামী সোঁৱৰণী অনুসন্ধানমূলক শ্ৰেষ্ঠ সাংবাদিকতা বঁটা দৈনিক জনমভূমি, প্ৰাগ নিউজৰ শিৱসাগৰৰ সাংবাদিক ভৈৰৱ মুণ্ডাক 'ম্যানমাৰ সীমান্তৰ গভীৰ অৰণ্যত আহোম যুগৰ ঐতিহাসিক সমলৰ সন্ধান' শীৰ্ষক বাতৰিৰ বাবে, 'মৃত ব্যক্তিৰ নামত কৃষি বিভাগৰ বীজ' শীৰ্ষক বাতৰিৰ বাবে কৌস্তভমণি হাজৰিকা সোঁৱৰণী যুৱ সাংবাদিকতা বঁটা ND24 News Daily 24 ৰ উজনিৰ ব্যুৰ' কৌস্তভমণি কাকতিক, 'গ্ৰীটিংছ কাৰ্ডৰ পৰিৱৰ্তে ডিজিটেল হ'ল শুভেচ্ছাবাণী' শীৰ্ষক বাতৰিৰ বাবে অমূল্য দত্ত সোঁৱৰণী মফচলীয় সাংবাদিকতা বঁটা NKTV Plusৰ কলিয়াবৰৰ সাংবাদিক পংকজ শইকীয়াক প্ৰদান কৰা হয়।

# দুধনৈত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্বাচনী প্ৰচাৰ

**ই-সংবাদ, ধূপধৰা, ২৯ মাৰ্চঃ** গোৱালপাৰা জিলাৰ দুধনৈত ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ এখন বিশাল নিৰ্বাচনী প্ৰচাৰ সভাত আজি মুখ্যমন্ত্ৰী হিমন্তবিশ্ব শৰ্মাই অংশগ্ৰহণ কৰি নিৰ্বাচনী প্ৰচাৰ চলায়। নিৰ্বাচনী ভাষণত তেওঁ কয় যে এইবাৰ নিৰ্বাচনত এশৰ ভিতৰত এশ নম্বৰ দি ৰাভা হাছং যৌথ সংগ্ৰাম সমিতি আৰু বি জে পিৰ প্ৰাৰ্থীক পাছ কৰাব লাগিব। বিগত দহটা বছৰত ৰাভা হাছঙত ক'ৰবাত গুলীচালনা হৈছে নেকি? কংগ্ৰেছৰ দিনতহে হৈছিল! কংগ্ৰেছে আজি নিৰ্বাচন খেলিব অহাৰ আগতে তেওঁলোকে গুলীয়াই হত্যা কৰা ২৪ জন শ্বহীদৰ মাতৃৰ ওচৰত ক্ষমা খোজক। কংগ্ৰেছ দলক তীব্ৰ ভাষাৰে আক্ৰমণ কৰি তেওঁ লগতে কয় যে কংগ্ৰেছে ৰাভা হাছং বা গোৱালপাৰা জিলাখনক বিদেশীক দিব বিচাৰে। আমি সকলো খিলঞ্জীয়া ৰাইজৰ লগত আছো। ইয়াত বাস কৰা সকলো জাতিৰ সমন্বয় আছে, আমি সাংবিধানিকমৰ্যাদা দিবলৈ আগুৱাই যাম। আনহাতে, নিৰ্বাচন সন্দৰ্ভত তেওঁ কয় যে মই নিৰ্বাচন আয়োগক কৈছিলোঁ- পঞ্চায়ত নিৰ্বাচন পাতক বা নাপাতক, ৰাভা হাছং নিৰ্বাচন পাতিবই লাগিব। কাৰণ জনজাতি লোকৰ অধিকাৰ খৰ্ব কৰিব নাপায়। কংগ্ৰেছক কব খোজো আপোনালোকে ৰাভা হাছঙত এখনো আসন নাপায়। গতিকে জিকিব খুজিলে বাংলাদেশত গৈ নিৰ্বাচন খেলক। ইফালে, মুখ্যমন্ত্ৰীয়ে তেওঁৰ ভাষণত আন কেবাটাও গুৰুত্বপূৰ্ণ মন্তব্য কৰে। ইয়াৰ ভিতৰত তেওঁ উল্লেখ কৰে যে অহা ১ এপ্ৰিলৰ পৰা বিদ্যুৎ বিল ১ টকা কমাই দিয়া হ'ব আৰু বছৰৰ শেষত পুনৰ ১ টকা কমাই দিয়াৰ চিন্তা কৰা হৈছে। ইয়াৰ উপৰি বি এ পাছ কৰা ল'ৰাক এবছৰলৈ মাহে আঢ়ৈ হাজাৰ টকা দিব চৰকাৰে। আত্মসহায়ক গোটৰ মহিলাক দহ হাজাৰ টকা দিয়া আঁচনি ১ এপ্ৰিলত বিহালীত উদ্বোধন কৰা হ'ব। আনহাতে, গাহৰি পালন সন্দৰ্ভত কয় যে মই বিচাৰোঁ অসমৰ গাঁৱে গাঁৱে গাহৰি পালন বেছি হ'ব লাগে! তেতিয়া একাংশ লোকে মাটি দখল কৰিবলৈ নাহিব। ইফালে, কম দিনৰ ভিতৰতে দুধনৈত মেডিকেল কলেজ নিৰ্মাণৰ কাম আৰম্ভ কৰাৰ কথা তেওঁ উল্লেখ কৰে। নিৰ্বাচনী সভাত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, সাংসদ বিজুলী কলিতা মেধি, ৰাভা হাছং চীফ টংকেশ্বৰ ৰাভা, প্ৰাক্তন বিধায়িকা আঙুৰলতা ডেকা প্ৰমুখ্যে কেবাগৰাকী নেতা উপস্থিত থাকে।

# তিনিচুকীয়া জিলা পথ সুৰক্ষা সমিতিৰ গুৰুত্বপূৰ্ণ বৈঠক

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২৯ মাৰ্চঃ** তিনিচুকীয়া জিলা পথ সুৰক্ষা সমিতিৰ এখন নিয়মীয়া বৈঠক আজি তিনিচুকীয়া চহৰৰ বৰগুৰিস্থ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। আয়ুক্ত স্বপ্নীল পালৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত জিলাখনত পথ দুৰ্ঘটনা হ্ৰাস কৰাৰ বাবে ল'বলগীয়া বিভিন্ন ব্যৱস্থাসমূহৰ বিষয়ে আলোচনা কৰা হ'য়। বিশেষকৈ ৰাষ্ট্ৰীয় ঘাইপথৰ সৈতে সংলগ্ন হোৱা পথসমূহত গতিৰোধক নিৰ্মাণ, স্পৰ্শকাতৰ অঞ্চলত দুৰ্ঘটনা বেৰিয়াৰ নিৰ্মাণ কৰাৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়া হয়। তদুপৰি তিনিচুকীয়া বাইপাছৰ মেৰামতিৰ বাবে তাৎক্ষণিক ব্যৱস্থা ল'বলৈ ৰাষ্ট্ৰীয় ঘাইপথ আন্তঃগাথঁনি বিকাশ নিগম(এন এইচ আই ডি চি এল)ৰ বিষয়াক জিলা আয়ুক্তই নিৰ্দেশ দিয়ে। ইয়াৰ উপৰি চহৰসমূহত ই-ৰিক্সাৰ পথ আৰু সংখ্যা নিৰ্ধাৰণ কৰি ইয়াৰ এক সু-সংহত নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰা আৰু ৰাষ্ট্ৰীয় ঘাইপথত ই-ৰিক্সাৰ চলাচল কঠোৰভাৱে বন্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি ইয়াৰ বাবে পৌৰসভাৰ কাৰ্যবাহী বিষয়াসকলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়া হয়। তেওঁলোকক পৌৰসভাৰ বিষয়ববীয়া আৰু ই-ৰিক্সা চালকৰ সৈতে আলোচনা কৰি বিছৰ আগতেই এই সম্পৰ্কীয় কৰ্ম আঁচনি চূড়ান্ত কৰিবলৈ কোৱা হয়। সভাত অতিৰিক্ত আয়ুক্ত মিৰ্জানা হুছেইনৰ উপৰি তিনিচুকীয়া আৰু শদিয়া আৰক্ষী জিলাৰ অতিৰিক্ত অধীক্ষকদ্বয়, স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক, জিলা পৰিবহণ বিষয়া, লোকনিৰ্মাণ পথ বিভাগৰ তিনিচুকীয়া আৰু ডুমডুমা সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তাদ্বয়, জিলা তথ্য আৰু জনসংযোগ বিষয়া, জিলাখনৰ তিনিচুকীয়া, ডুমডুমা, মাৰ্ঘেৰিটা, ডিগবৈ আৰু মাকুম পৌৰসভাৰ কাৰ্যবাহী বিষয়াসকল, আবকাৰী বিভাগৰ অধীক্ষক, সীমান্ত পথ সংগঠনৰ বিষয়া, লোক নিৰ্মাণ ঘাইপথ সংমণ্ডলৰ বিষয়া, ৰাষ্ট্ৰীয় ঘাইপথ আন্তঃগাথঁনি বিকাশ নিগমৰ বিষয়া আদি উপস্থিত থাকে।

# পশ্চিম নলবাৰীলৈ সুনাম কঢ়িয়ালে জেমিন চাজিদ ইকবালে

**ই-সংবাদ, চামতা, ২৯ মাৰ্চঃ** বজালীৰ ভট্টদেৱ বিশ্ববিদ্যালয়ৰ পৰা গণিত বিষয়ত সৰ্ব্বোচ্চ নম্বৰ লাভ কৰি সমগ্ৰ পশ্চিম নলবাৰীলৈ সুনাম কঢ়িয়াই আনিলে পশ্চিম নলবাৰীৰ জেমিন চাজিদ ইকবালে। পশ্চিম নলবাৰীৰ পহলংপাৰা গাঁৱত জন্মগ্ৰহণ কৰা আৰু বৰ্তমান নলবাৰী জ্যোতিনগৰ নিৱাসী কৃতী শিক্ষক জয়নুৰ আলী আৰু চেজিনা বেগমৰ জ্যেষ্ঠ পুত্ৰ চাজিদ। বজালীৰ ভট্টদেৱ বিশ্ববিদ্যালয়ত আজি আয়োজিত দীক্ষান্ত সমাৰোহত প্ৰতিভাৱান ছাত্ৰজনক সোণৰ পদক প্ৰদান কৰে অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই। ২০২২ বৰ্ষৰ স্নাতোকত্তৰ পৰীক্ষাত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ উক্ত বিশ্ববিদ্যালয়খনৰ পৰা উত্তীৰ্ণ হৈছিল চাজিদ। আজি অনুষ্ঠিত দীক্ষান্ত সমাৰোহত মন্ত্ৰী ৰঞ্জিৎ কুমাৰ দাস, পাটাছাৰকুছি সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰৰ লগতে অসমৰ বিশিষ্ট শিক্ষাবিদ অমৰজ্যোতি চৌধুৰীকে ধৰি কেবাগৰাকীও শিক্ষাবিদ উপস্থিত থাকে। উক্ত অনুষ্ঠানতে কলা-সংস্কৃতিৰ অন্যতম সাধক কৃষ্ণ ৰয়ক প্ৰদান কৰা হয় সন্মানীয় ডক্টৰেট ডিগ্ৰী। আন কেবাগৰাকীও গৱেষক ছাত্ৰকো প্ৰদান কৰা হয় ডক্টৰেট উপাধি। উল্লেখ্য যে, জেমিন চাজিদ ইকবালৰ পিতৃ জয়নুৰ আলীও এগৰাকী মেধাসম্পন্ন ব্যক্তিত্বৰ অধিকাৰী। সমগ্ৰ পশ্চিম নলবাৰীতে গণিত বিষয়ত বেচ জনপ্ৰিয়তা থকা জয়নুৰ আলী জিলা কৃতী শিক্ষকৰো বঁটা প্ৰাপক। পশ্চিম নলবাৰী মধ্য ইংৰাজী বিদ্যালয় শিক্ষক সন্থাৰ সভাপতি আলী সম্প্ৰতি বনগাঁও মধ্য ইংৰাজী বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক হিচাপে কৰ্মৰত। প্ৰতিভাৱান চাজিদৰ ভৱিষ্যতে ডক্টৰেট ডিগ্ৰী লৈ ছাত্ৰ-ছাত্ৰীৰ উৎকৰ্ষ সাধনৰ বাবে শিক্ষকতা কৰাৰ মন।

# ৰঙিয়াৰ উত্তৰ বনগাঁৱত বৃহৎ পৰিমাণৰ ড্ৰাগছসহ আটক সৰবৰাহকাৰী

**ই-সংবাদ, ৰঙিয়া, ২৯ মাৰ্চঃ** ৰঙিয়াৰ উত্তৰ বনগাঁৱত আজি দিনৰ ভাগত আৰক্ষীয়ে অভিযান চলাই বৃহৎ পৰিমাণৰ ড্ৰাগছসহ এটা সৰবৰাহকাৰীক আটক কৰে। আটকাধীনসৰবৰাহকাৰীটো জিয়াৰুল আলী। অভিযান কালত ৰঙিয়া আৰক্ষীয়ে জিয়াৰুল আলীৰ পৰা ৩৪ টা কণ্টেইনাৰসহ ৬ গ্ৰাম ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হয়। আনহাতে, ধৃত সৰবৰাহকাৰীটোৰ জিম্মাৰ পৰা নগদ ধন ৯৮০০ টকা আৰু এটা ম'বাইল ফোনো জব্দ কৰে অভিযানকাৰী আৰক্ষীৰ দলটোৱে।

# বৰডুমচা শাখা কবি সন্মিলনৰ সপ্তম বৰ্ষপূৰ্তি অনুষ্ঠান সম্পন্ন

**ই-সংবাদ, মাৰ্ঘেৰিটা, ২৯ মাৰ্চঃ** অসম-অৰুণালৰ এক বৃহৎ অঞ্চল সাঙুৰি ২০১৮ বৰ্ষৰ মাৰ্চ মাহত প্ৰতিষ্ঠা হয় বৰডুমচা শাখা কবি সন্মিলন। সদৌ অসম কবি সন্মিলনৰ অন্তৰ্ভুক্ত শাখা কবি সন্মিলনখনে বিগত দিনসমূহত কাব্য চৰ্চাৰ এক পৰিৱেশ গঢ়ি আহিছে। বৰডুমচা শাখা কবি সন্মিলনৰ উদ্যোগত ৰতনিপথাৰ প্ৰাথমিক বিদ্যালয় পৰিয়ালবৰ্গৰ আতিথ্যত আজি বৰডুমচা শাখা কবি সন্মিলনৰ সপ্তম বৰ্ষপূৰ্তি অনুষ্ঠান সফলভাৱে সমাপন হয়। পুৱা ৯.০০ বজাত পতাকা উত্তোলন কাৰ্যসূচীৰে অনুষ্ঠাটো শুভাৰম্ভ কৰে শাখাৰ সভাপতি নৰজ্যোতি তামুলীয়ে। পুৱা ৯.৩০ বজাত স্মৃতি তৰ্পণ কৰে শাখাৰ সম্পাদক মণ্টু মৰাণ আৰু ৰতনিপথাৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক যবেন চাউৰকে। গছ পুলি ৰোপণ কৰে ৰতনীপথাৰ প্ৰাথমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি সীমান্ত ফুকনে। পুৱা ১০.০০ বজাত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আয়োজিত চিত্ৰাংকন, কবিতা আৰু ভুপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ উদ্বোধন কৰে ২ নং মহং চেঁচাজান প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক উমাকান্ত দেউৰীয়ে। বিচাৰক হিচাপে সেৱা আগবঢ়ায় টংকেশ্বৰ বড়া, তীৰ্থ গগৈ আৰু জয়ন্ত মৰাণে। কবি আৰু সাহিত্য সংগঠক যোগেশ বিকাশ গগৈৰ সঞ্চালনাত দুপৰীয়া ১২.০০ বজাত অনুষ্ঠিত 'কবি সন্মিলন' উদ্বোধন কৰে ৰতনীপথাৰ প্ৰদীপ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক বলীন্দ্ৰ মহন্তই। অশ্ৰুমণি গগৈ, ময়ুৰী টাইৰাই, বিদ্যাৱতী মৰাণ, সুমন মৰাণ, নৰেশ্বৰ শইকীয়া, লক্ষী ফিল'বাৰী, মণ্টু মৰাণ, নৰজ্যোতি তামুলী, তীৰ্থ গগৈ, জ্যোতি নেওগ, মুনমুনি ফুকন মৰাণ আদিয়ে কবিতা পাঠ কৰি কবি সন্মিলনখনি জীপাল কৰি তোলে। সন্মিলনৰ আৰম্ভণিতে ৰতনিপথাৰ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এটি সমবেত সংগীত পৰিৱেশন কৰে। সভাপতি নৰজ্যোতি তামুলীৰ পৌৰোহিত্যত আৰু শাখাৰ সম্পাদক মণ্টু মৰাণে আঁত ধৰা 'বঁটা বিতৰণী আৰু মুকলি সভা'খনি বুঢ়ীদিহিং (শতদল) শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি সুমন মৰাণে উদ্বোধন কৰে। আদৰণি ভাষণ আগবঢ়ায় সহকাৰী শিক্ষক ধৰ্মেন্দ্ৰ মৰাণে। সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে অসম সাহিত্য সভাৰ তিনিচুকীয়া জিলাৰ প্ৰতিনিধি মোহন মৰাণ, বুঢ়ীদিহিং (শতদল) শাখা সাহিত্য সভাৰ সভাপতি নৰেশ্বৰ শইকীয়া, ২ নং মিহলিৰিতু প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক শোভেশ্বৰ মৰাণ, তিনিচুকীয়া জিলা কবি সন্মিলনৰ সাংগঠনিক সম্পাদক লক্ষী ফিল'বাৰী। বঁটা বিতৰণীৰ আগে আগে নৰজ্যোতি মইনা পাৰিজাতৰ শিশুসকলে এটি সামূহিক গীত পৰিৱেশন কৰি সকলোকে আহ্লাদিত কৰি তোলে। অনুষ্ঠানটোত গীত পৰিৱেশন কৰে পুহেশ্বৰ দহোতীয়া, লিতুল ফুকন আদিয়ে। কাব্যমন্ত্ৰৰে সামৰণি পৰা অনুষ্ঠানটোত সকলোকে কৃতজ্ঞতা আৰু শলাগ জ্ঞাপন কৰে বৰডুমচা শাখা কবি সন্মিলনৰ সম্পাদক মণ্টু মৰাণে।

# বালাজানত বৃহৎ পৰিমাণৰ গো-মাংসসহ বাহন জব্দ

**ই-সংবাদ, গোলকগঞ্জ, ২৯ মাৰ্চঃ** ধুবুৰী জিলাত গো-সুৰক্ষা আইনক ধোঁৱাচাঙত তুলি অসম-পশ্চিমবংগ সীমান্তৰে হোৱা হোৱে অসমত নিষিদ্ধ গো-মাংস প্ৰৱেশ কৰি থকা ঘটনাই অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অভিযোগ মতে, আগমনি থানাৰ অন্তৰ্গত খেৰবাৰী আগমনি গোহাঁই কমল পথ আৰু হালাকুৰা আৰক্ষী চকীৰ খেৰবাৰী পোকালাগী পথটো নিষিদ্ধ গো-মাংস সৰবৰাহৰ কৰিডৰত পৰিণত হৈছে। পুৱতি নিশা এই দুটা পথেৰে পশ্চিমবংগৰ পৰা গো-মাংস কঢ়িওৱা বাইক, স্কুটিৰ লানি নিছিগা সোঁত বয়। ৰমজান মাহত বৰ্ধিত চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি চোৰাং বেপাৰীয়ে বাইক, স্কুটিৰ লগতে বিভিন্ন চাৰিচকীয়া বাহনেৰেও গো-মাংস কঢ়িয়াই আছে। চাৰিচকীয়া বাহনসমূহ খেৰবাৰী হৈ অসমত প্ৰৱেশ কৰি ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰে গৌৰীপুৰ অভিমুখে গৈ থাকে। আজি পুৱা AS-01 EC-2990 নম্বৰৰ পাচলি পৰিবাহী টাটা বাহনখন বালাজান আৰক্ষীয়ে ৰ'বলৈ নিৰ্দেশ দিয়ে। আৰক্ষীৰ নিৰ্দেশ অমান্য কৰি বাহনখন তীব্ৰ বেগত পলায়ন কৰে। আৰক্ষী পিছে পিছে খেদি যোৱাত সৰবৰাহকাৰীয়ে বাহন এৰি পলায়ন কৰে। আৰক্ষীয়ে বাহনখন জব্দ কৰি আৰক্ষী চকী আনে। বাহনখনত তালাচী চলোৱাত শাক-পাচলিৰ মোনাৰ তলৰ পৰা চাৰি কুইণ্টল এৰেকশ কিলোগ্ৰাম ওজনৰ সন্দেহজনক গো-মাংস উদ্ধাৰ কৰে। উল্লেখ্য যে যোৱা বৃহস্পতিবাৰে পোকালাগীৰ পথৰ ওপৰত চোৰাং বেপাৰীয়ে গো-মাংস পেলাই থৈ গৈছিল। ইয়াক কেন্দ্ৰ কৰি উত্তেজনাৰ সৃষ্টি হয়। পিছত আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মাংসখিনি উদ্ধাৰ কৰি লৈ যায়।

# ৰঙিয়াত পৰমাৰ্থৰ উদ্যোগত বাঁহ-বেতৰ সঁজুলি নিৰ্মাণৰ বিশেষ প্ৰশিক্ষণ শিৱিৰৰ আয়োজন

**ই-সংবাদ, ৰঙিয়া, ২৯ মাৰ্চঃ** ৰঙিয়াত স্বেচ্ছাসেৱী সংস্থা 'পৰমাৰ্থ'ৰ উদ্যোগত এমহীয়া বাঁহ-বেতৰ সঁজুলি নিৰ্মাণৰ বিশেষ প্ৰশিক্ষণ শিৱিৰৰ আয়োজন কৰা হৈছে। কৃষ্ণগুৰুআধ্যাত্মিক যুৱ সমাজ, বৈদ্যগড় চক্ৰৰ সহযোগত অহা ১ এপ্ৰিলৰ পৰা তৰণীস্থিত কৃষ্ণগুৰু শাখা সেৱাশ্ৰম প্ৰাংগণত পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত হ'ব লগা কৰ্মশালাত অংশগ্ৰহণ কৰাৰ বাবে আগ্ৰহীসকলক ৮৬৩৮৭১৭৯৭৪ ফোন নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
UniqueBorah.Com
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
88764 90887
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# মাজুলী মহাবিদ্যালয়ত জ্ঞাননিৰ্ভৰ অৰ্থনীতি শীৰ্ষক মনোজ্ঞ বক্তৃতানুষ্ঠান সম্পন্ন

**ই-সংবাদ, মধ্য মাজুলী, ২৯ মাৰ্চঃ** 'ভাৰতীয় পৰম্পৰা আৰু আধ্যাত্মিকতাৰ আঁৰত বিজ্ঞান নিহিত হৈ আছে। নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে এনে পৰম্পৰাক বিশেষভাৱে নতুন প্ৰজন্মৰ মাজত দাঙি ধৰি বিকাশৰ পথ ৰচনা কৰিব বুলি আশা কৰা যায়।' —এই বক্তব্য ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ জিতেন হাজৰিকাৰ। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গৌৰৱময় হীৰক জয়ন্তীৰ লগত সংগতি ৰাখি মাজুলীৰ উচ্চশিক্ষাৰ ধ্বজাবাহক মাজুলী মহাবিদ্যালয়ত আজি অনুষ্ঠিত বিশেষ শৈক্ষিক বক্তৃতানুষ্ঠান উদ্বোধনী ভাষণ দি উপাচাৰ্য ডঃ হাজৰিকাই সাৰগৰ্ভ বক্তৃতা প্ৰদান কৰি লগতে কয় 'জ্ঞান, ভক্তি আৰু কৰ্ম প্ৰগতিৰ আধাৰ। কেৱল তথ্যভিত্তিক অধ্যয়ন জ্ঞান অৰ্জনৰ মাধ্যম হ'ব নোৱাৰে'। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অভ্যন্তৰীণ মান নিৰূপণ কোষ আৰু মহাবিদ্যালয় উন্নয়ন পৰিষদৰ উদ্যোগত মাজুলী মহাবিদ্যালয়ৰ পদ্মকান্তদেৱ গোস্বামী সভাকক্ষত আয়োজিত জ্ঞাননিৰ্ভৰ অৰ্থনীতি আৰু ৰাষ্ট্ৰীয় শিক্ষানীতিৰ আধাৰত ভাৰতৰ জ্ঞান ব্যৱস্থা শীৰ্ষক বক্তৃতানুষ্ঠানৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই সকলোকে আদৰণি জনায়। বক্তব্যত ডঃ শইকীয়াই কৌটিল্যৰ অৰ্থশাস্ত্ৰৰ প্ৰসংগৰে নতুন শিক্ষানীতিত জ্ঞানভিত্তিক অৰ্থনীতিৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰে। লগতে এই কাৰ্যসূচী অনুষ্ঠিত কৰাৰ সুবিধা দিয়াৰ বাবে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰে। কাৰ্যসূচীত সমল ব্যক্তি হিচাপে উপস্থিত থাকি বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ প্ৰাধ্যাপক ডঃ অমৰজ্যোতি মহন্তই জ্ঞানভিত্তিক অৰ্থনীতিৰ বিষয়ে দৃশ্য-শ্ৰব্য মাধ্যমেৰে এক মনোগ্ৰাহী উপস্থাপন সকলোৰে আগত ব্যাখ্যা কৰি আপ্লুত কৰে। তেওঁ মানসিক আৰু দৈহিক শক্তিৰ প্ৰকৃত সংমিশ্ৰণেৰে অসাধ্যকো সাধন পাৰি বুলি উল্লেখ কৰি সৃজনীশীলতা আৰু দক্ষতাক বৌদ্ধিক সম্পদ বুলি অভিহিত কৰে। মাজুলীৰ কেউখন মহাবিদ্যালয়ৰ শিক্ষক প্ৰতিনিধি উপস্থিত থকা কাৰ্যসূচীত মাজুলীৰ ৰঙাচাহী মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ নৱ কুমাৰ গাম, উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ জাহ্নৱী লহকৰ বৰুৱা, পূব মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ দীপক বৰা, গড়মূৰ পীতাম্বৰদেৱ গোস্বামী মহাবিদ্যালয়ৰ অধ্যক্ষ অৰূপজ্যোতি শইকীয়া, শিক্ষাবিদ সৰ্বেশ্বৰ হাজৰিকা, ভোলা বৰা, ডঃ আনন্দ হাজৰিকা, জিতেন্দ্ৰ নাথ ডেকা, মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, শিক্ষক গোটৰ সভাপতি ডঃ ৰাজেন বৰা, জ্যেষ্ঠ অধ্যাপক গীতাৰাণী গোস্বামী, ডঃ ব্ৰজেন নেওগ, বিপুল ৰাজখোৱা, ডঃ ৰূপজ্যোতি বৰা, সুৰেন দাস, প্ৰণীতা ৰাজখোৱা, বসন্ত বৰা, অপূৰ্বজ্যোতি হাজৰিকা, ডঃ দুলাল হাজৰিকা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলৰ উপৰি দ্বি-শতাধিক লোক উপস্থিত থাকে। মহাবিদ্যালয়ৰ অধ্যাপক তুলসী ৰাজখোৱাই আঁতধৰা কাৰ্যসূচীৰ শেষত শলাগ জ্ঞাপন কৰে অধ্যাপিকা প্ৰীতিৰেখা গগৈয়ে।

# হাতীগাঁৱৰ হোমষ্টেত অসহায় যুৱতীক দলবদ্ধ ধৰ্ষণ

## ত্ৰাণকৰ্তা বান্ধৱীয়ে দুই লম্পটৰ হাতত দিলে তুলি

**ই-সংবাদ, ২৯ মাৰ্চঃ** গুৱাহাটী মহানগৰীত নাৰী কিমান সুৰক্ষিত সেই প্ৰশ্ন উত্থাপন হৈ অহাৰ সময়তে পুনৰ ভয়ংকৰ ঘটনা সংঘটিত হৈছে। গুৱাহাটী মহানগৰীত পুনৰ সংঘটিত হৈছে ভয়ংকৰ ঘটনা। মহানগৰীৰ হোমষ্টেত এগৰাকী অসহায় যুৱতীক গণধৰ্ষণ কৰাৰ অভিযোগ উত্থাপন হৈছে। হাতীগাঁও অঞ্চলৰ হোমষ্টেত দলবদ্ধ ধৰ্ষণৰ ঘটনা পোহৰলৈ অহাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। এগৰাকী যুৱতীক দুজন লোকে ধৰ্ষণ কৰাৰ অভিযোগ উত্থাপন কৰি ইতিমধ্যে আৰক্ষীৰ কাষ চাপিছে যুৱতীগৰাকী। ঘটনাটো হাতীগাঁৱৰ শেৱালি পথৰ এটা হোমষ্টেত সংঘটিত হৈছিল। বাতৰি অনুসৰি, ভুক্তভোগী যুৱতীয়ে বান্ধৱীৰ বন্ধুৰ সৈতে বাহিৰলৈ গৈছিল। সেই সময়তে তাইক এটা ফ্লেটলৈ লৈ যায়। তাৰ পিছতে শেৱালি পথৰ এটা হোমষ্টেলৈ নি গভীৰ নিশালৈ দুই যুৱকৰ সৈতে মদৰ আড্ডা কৰে। সুৰাৰ ৰাগীত মাতাল হয় দুই যুৱক আৰু দুই যুৱতী। তাৰ পিছতে চাঞ্চল্যকৰ ভয়ংকৰ ঘটনা। দুই মাতাল যুৱকে যুৱতীক জোৰ কৰে শাৰীৰিক সম্পৰ্ক গঢ়িবলৈ। দুই যুৱকে যুৱতীক অপকৰ্ম কৰিবলৈ বাধ্য কৰে। কিন্তু সেই সময়ত যুৱতীক লৈ যোৱা বান্ধৱীয়ে আনটো কোঠাত সোমাই ভিতৰৰ পৰা দুৱাৰ বন্ধ কৰি দিছিল। এগৰাকী বান্ধৱীয়ে আন এগৰাকী বান্ধৱীক দুই লম্পটৰ হাতত তুলি দিছিল। তাৰ পিছতে দুই যুৱকে যুৱতীগৰাকীক উপৰ্যুপৰি ধৰ্ষণ কৰে। জানিব পৰা মতে, কেইদিনমানৰ পূৰ্বে প্ৰেমিকৰ সৈতে গুৱাহাটীলৈ আহিছিল যুৱতীগৰাকী। বৃহস্পতিবাৰে প্ৰেমিকৰ সৈতে সংঘাত লগাত ভুক্তভোগী যুৱতীয়ে বান্ধৱীক ফোন কৰিছিল। বান্ধৱীগৰাকীয়ে যুৱতীগৰাকীক মাতি নি হোমষ্টেত এই পাশৱিক ঘটনা সংঘটিত কৰায়। ঘটনাৰ পিছতে ১০০ ডায়েল কৰি যুৱতীগৰাকীয়ে খবৰ দিয়ে আৰক্ষীক। যুৱতীয়ে ১০০ ডায়েল কৰি আৰক্ষীক অৱগত কৰিছিল যদিও আৰক্ষীয়ে ঘটনাক লৈ কঠোৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপন হৈছে। অৱশ্যে, ভুক্তভোগী যুৱতীয়ে গুৱাহাটী আৰক্ষীৰ বিৰুদ্ধে অপৰাধীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপন কৰিছে। স্বাস্থ্য পৰীক্ষা কৰা সত্বেও আৰক্ষীয়ে গোচৰ ৰুজু কৰা নাছিল বুলি যুৱতীগৰাকীক অভিযোগ উত্থাপন কৰিছে। ভুক্তভোগীয়ে দাবী কৰিছে যে অভিযুক্তক আটক কৰাৰ পিছত কোনো আইনী প্ৰক্ৰিয়া অবিহনে মুকলি কৰি দিছিল।

# অৰুণোদয়ৰ অনিয়মক লৈ গেলেকীত উত্তাল প্ৰতিবাদ

**ই-সংবাদ, গেলেকী, ২৯ মাৰ্চঃ** অৰুণোদয় আঁচনিৰ পৰা নাম কৰ্তন কৰাক লৈ নাজিৰাৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত গেলেকী ন-পুখুৰী গাঁও পঞ্চায়তত মহিলাৰ ক্ষোভ দেখিবলৈ পোৱা গৈছে। মুখ্যমন্ত্ৰীয়ে গৌৰৱ কৰা অৰুণোদয় ৩.০ত ব্যাপক অনিয়মৰ সংঘটিত কৰাৰ অভিযোগ উঠিছে গেলেকীৰ ন-পুখুৰী গাঁও পঞ্চায়তত। বাচনি সমিতিয়ে নিজৰ দলীয় কৰ্মীক অগ্ৰাধিকাৰ দিয়াৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। নাজিৰা উন্নয়ন খণ্ডৰ অন্তৰ্গত ন-পুখুৰী গাঁও পঞ্চায়তত অৰুণোদয় আঁচনিৰপৰা যোগ্য হিতাধিকাৰীৰ নাম কৰ্তন তথা বাদ পৰি যোৱাৰ অভিযোগ উঠিছে। যাৰবাবে এতিয়া ক্ষোভত প্ৰতিবাদ সাব্যস্ত কৰিছে একাংশ দৰিদ্ৰ সীমাৰেখাৰ তলৰ মহিলাই। ইয়াকে লৈ আজি গাঁও পঞ্চায়তখনৰ কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰে একাংশ মহিলাই। বিজেপি গ' বেক, দুখীয়াৰ লগত ৰাজনীতি বন্ধ কৰক, বাচনি সমিতি মুৰ্দাবাদ আদি বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদস্থলীৰপৰাই মুখ্যমন্ত্ৰীলৈ আহ্বান যোগ্য হিতাধিকাৰীক এই আঁচনিৰ অন্তৰ্ভুক্ত কৰক, নহ'লে বন্ধ কৰক এই আঁচনি।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# তিনিচুকীয়াত আন্তঃৰাষ্ট্ৰীয় চাইবাৰ-চক্ৰ উৎখাত, মহিলাসহ ৮ চাইবাৰ অপৰাধীক আটক আৰক্ষীৰ

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২৯ মাৰ্চঃ** এক গোপন সূত্ৰৰ পম খেদি তিনিচুকীয়া সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া পৰাগজ্যোতি বুঢ়াগোহাঁইৰ নেতৃত্বত, জিলা আৰক্ষী অধীক্ষকৰ সহযোগত কালি নিশা তিনিচুকীয়া চহৰৰ তামোলবাৰী আৰু তিনিকোণীয়াত চলোৱা এক অভিযানত তিনিচুকীয়া আৰক্ষীয়ে সন্দেহযুক্ত ৭ জন পুৰুষৰ লগতে এগৰাকী মহিলা চাইবাৰ অপৰাধীক আটক কৰিবলৈ সক্ষম হয়। এই সন্দৰ্ভত তিনিচুকীয়াৰ অতিৰিক্ত আৰক্ষী অধীক্ষক মৃন্ময় দাসে জনোৱা মতে, ধৃত চক্ৰটো বিভিন্নধৰণৰ চক্ৰ। ধৃত অপৰাধী চক্ৰটোৰ পৰা আৰক্ষীয়ে এটা আপত্তিজনক ডিজিটেল ডিভাইচ, ২ টা টেবলেট, ১৭টা মোবাইল, ১৫০ খন এ টি এম কাৰ্ড, ৬৬ বিভিন্ন বেংকৰ পাছবুক, চেকবুক, ২০ খনৰো অধিক মোবাইল চিম কাৰ্ড আদি জব্দ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে ধৃত চাইবাৰ অপৰাধী কেইজনৰ ভিতৰত ৪ জন তিনিচুকীয়াৰ আৰু বাকী ৪ জন ছট্টিশগড়ৰ। জানিব পৰা মতে, কিছুদিনৰ পৰা তিনিচুকীয়াৰ তিনিকোণীয়াস্থিত এটা অট্টালিকাত ভাৰাতীয়া হিচাপে থকা এটা কোঠাৰপৰা আৰক্ষীয়ে আটক কৰে চাইবাৰ অপৰাধী দলটোক। এক সূত্ৰৰ পৰা পোৱা তথ্য অনুসৰি, বহিঃৰাজ্যৰ পৰা আহি তিনিচুকীয়াত থিতাপি লোৱা এই দলটোৱে বিভিন্ন চাইবাৰজনিত অপৰাধ যেনে-বেংকৰপৰা ধন আত্মসাৎ, আই পি এল বীট আৰু বিভিন্নধৰণৰ অপৰাধৰ লগত জড়িত হৈ আছিল। এই আন্তঃৰাষ্ট্ৰীয় অপৰাধী চক্ৰটোৰ লগত তিনিচুকীয়াৰ আৰু ব্যক্তি জড়িত থকাৰ সন্দেহ কৰিছে আৰক্ষীয়ে। তিনিচুকীয়া আৰক্ষীৰ এটা সঁজাতি দলে অধিক তথ্যৰ সন্ধানত সোধাপোচা অব্যাহত ৰাখিছে। আৰক্ষীৰ তদন্তৰ পিছতহে সমগ্ৰ ঘটনা পোহৰলৈ আহিব বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে।

# ৰাইদঙীয়াত অসম সত্ৰ মহাসভাৰ সাধাৰণ সভা সম্পন্ন

**ই-সংবাদ, বেবেজীয়া, ২৯ মাৰ্চঃ** অসম সত্ৰ মহাসভাৰ অন্তৰ্ভুক্ত পশ্চিম নগাঁও জিলা সত্ৰ মহাসভাৰ দ্বি-বাৰ্ষিক সাধাৰণ সভাখন শনিবাৰে ৰাইদঙীয়াৰ চৰাই খুলীয়া সত্ৰৰ সৌজন্যত আৰু ভাটিখণ্ড বৰনামঘৰ ৰাইজৰ সহযোগত অনুষ্ঠিত কৰা হয়। পশ্চিম নগাঁও জিলা সত্ৰ মহাসভাৰ ভাৰপ্ৰাপ্ত সভাপতি থগিত মহন্তৰ সভাপতিত্বত এচৰণ ঘোষাৰে আৰম্ভ হোৱা সভাখনিৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক মাণিক বৰাই। উদ্দেশ্য ব্যাখ্যাৰ অন্তত সভাত স্থানীয় পাঁচগৰাকী শিল্পীয়ে বৰগীত আৰু সত্ৰীয়া নৃত্য পৰিৱেশন কৰে। ইয়াৰ পিছত কাৰ্যসূচী অনুসৰি বিগত সময়ছোৱাত বটদ্ৰৱা নৰোৱা সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ দেৱানন্দ দেৱগোস্বামীকে প্ৰমুখ্য কৰি যিসকল সত্ৰাধিকাৰ, আজীৱন সদস্য, শুভাকাংক্ষীৰ মৃত্যু হ'ল তেওঁলোকৰ বিদেহ আত্মাৰ সদগতিৰ কামনাৰে এফাঁকি ঘোষাৰে এক শোকপ্ৰকাশ কৰা হয়। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি সত্ৰ মহাসভাই কৰি অহা কাৰ্যপন্থাৰ বিষয়ে বহলাই ভাষণ আগবঢ়াই অসম সত্ৰ মহাসভাৰ প্ৰধান সম্পাদক কুসুম কুমাৰ মহন্তই। পৰ্যবেক্ষক হিচাপে সভাত উপস্থিত থাকি সত্ৰাধিকাৰ ভীষ্ম দুলৰ্ভ মহন্তই গঠন হ'বলগীয়া নতুন সমিতিৰ বিভিন্ন পদবীৰ বিষয়ে বক্তব্য দাঙি ধৰে। পুৰণা সমিতিৰ হৈ সভাত পদত্যাগ কৰে ভাৰপ্ৰাপ্ত সভাপতি থগিত মহন্তই। তাৰ পাছতেই সভাৰ মাজৰ পৰা নতুন সমিতিৰ বিভিন্ন পদবীৰ বাবে বিষয়বাচনি কৰা হয়। নতুনকৈ গঠন হোৱা জিলা সমিতিখনত ডেকা সত্ৰাধিকাৰ অৰূপ কুমাৰ গোস্বামীক সভাপতি, থগিত মহন্তক কাৰ্যকৰী সভাপতি, আৰু মাণিক বৰাক সম্পাদক হিচাপে লৈ এখন ৩১ জনীয়া শক্তিশালী সমিতি গঠন কৰা হয়। গাম্ভীৰ্যপূৰ্ণ সভাখনিত অসম সত্ৰ মহাসভাৰ উপ সভাপতি অশোক মহন্ত, কোষাধ্যক্ষ ভুৱনেশ্বৰ মহন্ত, হৰিপ্ৰসাদ দাস, ৰহা দিহিং সত্ৰৰ সত্ৰাধিকাৰ নয়নজ্যোতি গোস্বামীকে প্ৰমুখ্য কৰি কেইবাগৰাকী সত্ৰাধিকাৰ উপস্থিত থাকি সত্ৰসমূহৰ সমস্যাৰ সন্দৰ্ভত আলোকপাত কৰে।

# আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ কামৰ শুভাৰম্ভ বিধায়ক ৰূপক শৰ্মাৰ



**ই-সংবাদ, বেবেজীয়া, ২৯ মাৰ্চঃ** নগাঁও-বটদ্ৰৱা বিধানসভা সমষ্টিৰ অন্তৰ্গত বিভিন্ন স্থানত নতুনকৈ নিৰ্মাণ হ'বলগীয়া কেইবাটাও আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ কামৰ আজি শুভাৰম্ভ কৰে বিধায়ক ৰূপক শৰ্মাই। বিধায়কজনে একেদিনাই সমষ্টিটোৰ বিৰহ বেবেজীয়া আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ, পশ্চিম শেনছোৱা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ, পশ্চিম টকৌবাৰী আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ, গায়ন গাঁও শিমলুতল মজলীয়া বিদ্যালয় আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ, সোণাইপাৰ আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ, ভোমোৰাগুৰি জুনিয়ৰ বেছিক আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ আৰু শান্তিপুৰ জনজাতি বেছিক আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ নতুনকৈ নিৰ্মাণ হ'বলগীয়া ভৱনৰ কামৰ শুভাৰম্ভ কৰে। শুভাৰম্ভ কৰি বিধায়ক শৰ্মাই শিশুসকলৰ সৰ্বাংগীন বিকাশৰ লক্ষ্যৰে আটকধুনীয়াকৈ নিৰ্মাণ হ'বলগীয়া আদৰ্শ অংগনৱাড়ী কেন্দ্ৰসমূহৰ জৰিয়তে শিশুসকল যথেষ্ট উপকৃত হ'ব বুলি উল্লেখ কৰাৰ লগতে এই অংগনৱাড়ী কেন্দ্ৰই গ্ৰামাঞ্চলত প্ৰাথমিক স্বাস্থ্যসেৱা, পুষ্টি আৰু পৰিপূৰকৰ বিষয়ে শিক্ষা তথা শিশুসকলৰ বাবে প্ৰাক-প্ৰাথমিক বিদ্যালয়ৰূপে কাম কৰি আছে বুলি গুৰুত্বপূৰ্ণ মন্তব্য কৰে। এই শুভাৰম্ভ অনুষ্ঠান সমূহত নগাঁও জিলা সমাজ কল্যাণ বিভাগকে প্ৰমুখ্য কৰি বিভিন্ন বিভাগৰ কৰ্মচাৰী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

# সন্ধানহীন শিশুৰ মৃতদেহ উদ্ধাৰ

**ই-সংবাদ, গোলকগঞ্জ, ২৯ মাৰ্চঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ চহৰৰ সমীপৰ পূব গাইখোৱা প্ৰথম খণ্ড গাঁৰৰ গংগাধৰ নদীত ২৭ মাৰ্চৰ দুপৰীয়া সন্ধানহীন হোৱা শিশুটিৰ তিনিদিনৰ অন্তত আজি মৃতদেহ উদ্ধাৰ হয়। জানিব পৰা মতে, পৰহি দুপৰীয়া বাৰ বজাত গাঁওখনৰ ৰজব আলীৰ পুত্ৰ নুৰ মহম্মদ (১১) নামৰ শিশুটি আন দুই লগৰ সমনীয়াৰ সৈতে গংগাধৰ নদীত গা ধুবলৈ যায়। গা ধুই থাকোতে গভীৰ পানীত পিছলি পৰি শিশুটি ডুব যায়। লগৰ দুজনে চিঞৰ-বাখৰ কৰাত স্থানীয় ৰাইজ গোটখাই শিশুটিক উদ্ধাৰৰ বাবে পানীত ডুবমাৰি, জাল পেলাই চেষ্টা চলাইও বিফল হয়। পিছত গোলকগঞ্জ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বাহিনীক খবৰ দিয়ে। এছ ডি আৰ এফে পূব গাইখোৱাৰপৰা ভাৰত বাংলাদেশ সীমান্তৰ কেদাৰ, বিন্নাচৰলৈকে উদ্ধাৰ অভিযান চলাইও তিনিদিনে শিশুটিৰ সন্ধান উলিয়াব পৰা নাছিল। আজিও পুৱাৰেপৰা বাহিনীয়ে নাৱেৰে ভাৰত-বাংলাদেশ সীমান্তলৈকে অভিযান অব্যাহত ৰাখে। তিনিদিন ধৰি পৰিয়ালৰ লোকে চৰম উৎকণ্ঠাত দিন পাৰ কৰাৰ অন্তত অৱশেষত আজি বিয়লি নিৰুদ্দেশ হোৱা স্থানতে ভাঁহি উঠিল সন্ধানহীন শিশুটিৰ মৃতদেহ। পৰিয়ালৰ লোকে শিশুটিৰ মৃতদেহ প্ৰত্যক্ষ কৰি উদ্ধাৰ কৰে। খবৰ পাই গোলকগঞ্জ আৰক্ষী উপস্থিত হৈ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

# নগাঁৱত জিমনাষ্টিকছ প্ৰতিযোগিতাৰ শুভাৰম্ভ

**ই-সবাদ ক্ৰীড়া সেৰা, নগাঁও, ২৯ মাৰ্চঃ** নগাঁও ক্ৰীড়া সংস্থাৰ ইনড'ৰ ষ্টেডিয়ামত তিনিদিনীয়াকৈ ৩৩ সংখ্যক সদৌ অসম আন্তঃজিলা জিমনাষ্টিকছ প্ৰতিযোগিতাৰ খেলসমূহ কালিৰে পৰা চলিছে যদিও আজিহে এই প্ৰতিযোগিতা আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। অসম জিমনাষ্টিকছ সন্থাই নগাঁও ক্ৰীড়া সংস্থাৰ সৌজন্যত আয়োজন কৰা প্ৰতিযোগিতা আজি আনুষ্ঠানিকভাৱে অসম জিমনাষ্টিকছ সন্থাৰ সভাপতি তথা স্থানীয় বিধায়ক ৰূপক শৰ্মাই উদ্বোধন কৰে। অসম জিমনাষ্টিকছ সন্থাৰ সাধাৰণ সম্পাদক উজ্জল বৰুৱাই আঁত ধৰা শুভাৰম্ভণি অনুষ্ঠানত মুখ্য অতিথি তথা বিধায়ক ৰূপক শৰ্মাৰ লগতে চি আৰ পি এফৰ জ্যেষ্ঠ বিষয়া সত্যবীৰ আৰু ভিডেখ' কেইয়ি, বিশিষ্ট ক্ৰীড়া সংগঠক তপন কুমাৰ দাস, ডাঃ কৃষ্ণ কুমাৰ বৰা, প্ৰশান্ত কুমাৰ বৰা, হুচনে কামাল মাহমাদুৰ ৰহমান, অসীম ভাৰাল আদি সন্মানীয় অতিথিৰূপে উপস্থিত থাকি মাৰ্চ পাষ্টৰ অভিবাদন গ্ৰহণ কৰে। আনহাতে, এই পৰ্যন্ত অনুষ্ঠিত ৰিডমিকৰ ছোৱালীৰ ছাব জুনিয়ৰ শাখাত নগাঁৰৰ আৰোহী মজুমদাৰ, জুনিয়ৰ ৰিবনত শিৱসাগৰৰ টানিস্কা টনয়া বৰুৱা, জুনিয়ৰৰ বলত নগাঁৰৰ কৃষ্টিকন্যা গোস্বামী, ছিনিয়ৰৰ বলত নগাঁৰৰ ঝৰ্ণা বৰুৱা, ছিনিয়ৰৰ অভাৰঅল ইভেন্টত বিশ্বনাথৰ জিয়া স্বৰ্গীয়াৰী আৰু ৰিবনত নগাঁৰৰ ঝৰ্ণা বৰুৱাই প্ৰথমস্থান দখল কৰিছে। আৰ্টিছটিকৰ কেডেটৰ ছোৱালীৰ অনূৰ্ধ্ব-১০ বছৰৰ ফ্ল'ৰ এক্সাৰচাইজত কামৰূপ মহানগৰৰ প্ৰিয়াঞ্জী তালুকদাৰ আৰু মিনিৰ ফ্ল'ৰ এক্সাৰচাইজত কামৰূপ গ্ৰাম্যৰ টাগাচী বাসাকে প্ৰথমস্থান অধিকাৰ কৰিছে। মিনিৰ পুৰুষৰ ফ্ল'ৰ এক্সাৰচাইজত কামৰূপ গ্ৰাম্যৰ ৰিয়ান ডেকা প্ৰথম, নগাঁৰৰ হিমাংশু হাঞ্চে দ্বিতীয় আৰু শিৱসাগৰৰ শুভাংকৰ দে'য়ে তৃতীয়স্থান লাভ কৰাৰ বিপৰীতে ভল্ট টেবুলত কামৰূপ গ্ৰম্যৰ ৰিয়ান ডেকাই প্ৰথম, শিৱসাগৰৰ শুভাংকৰ দে'য়ে দ্বিতীয় আৰু ডিব্ৰুগড়ৰ মনীষ মাঝীয়ে তৃতীয়স্থান পাইছে। কেডেটৰ ভল্ট টেবুলত কামৰূপ গ্ৰাম্যৰ বৈদুশ্য লউধ' প্ৰথম, মৰিগাঁৱৰ বৰ্ধিমান বৈশ্য দ্বিতীয় আৰু কামৰূপ গ্ৰাম্যৰ মানস কুমাৰে তৃতীয়স্থান লাভ কৰিছে। আৰ্টিছটিকৰ পুৰুষৰ ছিনিয়ৰৰ ভল্ট টেবুলত গোলাঘাটৰ হৰ্ষজিৎ উজীৰ প্ৰথম, অসম পুলিচৰ লক্ষণ দাস দ্বিতীয় আৰু যোৰহাটৰ পল্লৱ গগৈয়ে তৃতীয়স্থান দখল কৰে। মুঠ চৈধ্যটা জিলা গোটৰ পৰা তিনিশৰো অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাৰ কাইলৈ সামৰণি পৰিব।



আইপিএল ২০২৫: গুজৰাটৰ অধিনায়ক শুভমন গিলক আউট কৰাৰ পিছত হাঁহি মুম্বাইৰ অধিনায়ক হাৰ্দিকৰ

## আকৌ ক্ৰিকেটত একাধিক গুৰুত্বপূৰ্ণ পৰিৱৰ্তন আনিব আইচিচিয়ে

# উভতি আহিব পুৰণি দিন! বলত থু লগাব পাৰিব পেচ বলাৰে

**নতুন দিল্লী, ২৯ মাৰ্চঃ** ক্ৰিকেটত কেইবাটাও গুৰুত্বপূৰ্ণ পৰিৱৰ্তনৰ বাবে সাজু হৈছে আইচিচি। বিশেষকৈ পেচ বলাৰ সকলৰ বাবে এক বিশেষ সিদ্ধান্ত গ্ৰহণ কৰিছে আইচিচিয়ে। আইচিচিয়ে জাৰি কৰা নিষেধাজ্ঞা এতিয়া প্ৰযোজ্য নহয়। এতিয়াৰ পৰা আগৰ দৰে বলত থু ব্যৱহাৰ কৰিব পাৰিব বলাৰে। চেম্পিয়নছ ট্ৰফীৰ সময়ত শ্বামীয়ে এই নিয়ম সলনি কৰাৰ দাবী জনাইছিল আৰু সেই দাবী এতিয়া বাস্তৱত পৰিণত হৈছে। কোভিডৰ সময়ছোৱাত আইচিচিয়ে ক্ৰিকেটৰ নিয়মত বৃহৎ পৰিৱৰ্তন কৰিছিল। আটাইতকৈ উল্লেখযোগ্য আছিল বলত থু ব্যৱহাৰ কৰাত নিষেধাজ্ঞা। ৰিভাৰ্ছ চুইং কাৰ্যতঃ বিলুপ্ত হোৱাৰ লগে লগে পেচাৰসকলেই আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছিল। কিন্তু বৰ্তমান কৰ'না সংক্ৰমণৰ বিশেষ আশংকা নাই। সেয়েহে দীৰ্ঘদিন ধৰি ক্ৰিকেট সমাজত থু ব্যৱহাৰৰ অনুমতি দিব লাগে বুলি দাবী উত্থাপন হৈ আহিছে। শেষত আইচিচিয়ে সেই সিদ্ধান্ত গ্ৰহণ কৰিছে। এই সপ্তাহত ডুবাইত অনুষ্ঠিত হোৱা আইচিচি ক্ৰিকেট কমিটীৰ বৈঠকত এই বিষয়ে বিতংভাৱে আলোচনা কৰা হয়। জানিব পৰা মতে, সমিতিৰ গৰিষ্ঠসংখ্যক সদস্যই পূৰ্বৰ নিয়ম পুনৰ প্ৰৱৰ্তনৰ পক্ষত আছে। কাৰণ, আধুনিক ক্ৰিকেটত বেটছমেনৰ আধিপত্য বাঢ়িছে। যদি ৰিভাৰ্ছ চুইংও সম্পূৰ্ণৰূপে গুচি যায়, তেন্তে বলাৰৰ বাবে অসুবিধা আৰু অধিক বৃদ্ধি পাব। সেয়েহে টেষ্ট, এদিনীয়া আৰু টি-২০ৰ সকলো ফৰ্মেটতে বলত থু ব্যৱহাৰৰ অনুমতি দিয়াৰ সিদ্ধান্ত লোৱা হৈছে। অৱশ্যে চূড়ান্ত অনুমোদন এতিয়াও পোৱা নাই। এপ্ৰিল মাহত অনুষ্ঠিত হ'বলগীয়া আইচিচিৰ মুখ্য কাৰ্যবাহী সমিতিৰ বৈঠকত এই সিদ্ধান্ত দাখিল কৰা হ'ব। তাৰ পৰা অনুমোদন লাভ কৰাৰ পিছত পুনৰ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত দেখা যাব থু ব্যৱহাৰৰ পুৰণি নিয়ম। এই নিয়মে বলাৰক সকাহ দিব বুলি ধাৰণা কৰা হৈছে।


ALLEN EDUCARE

HOUSE NO.: 4, GUWAHATI COLLEGE ROAD, JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)

COMPUTER & MONTESSORY TEACHER TRAINING COURSE

COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA

MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA

PLACEMENT 100% GUARANTEE

CONTACT US +91 78965-45243

ADMISSION GOING ON


newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি